# মায়ঙৰ উপভাষা

শ্ৰীঅসীম কুমাৰ নাথ
স্নাতক ৫ম ষাণ্মাসিক

কোনো এটা ভাষা বিস্তৃত অঞ্চল বিয়পি পৰাৰ পিছত ভৌগোলিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক কাৰণত, সেই ভাষা সম্প্ৰদায়ৰ এটা অঞ্চলৰ সহজ আৰু সঘন মিলামিছা হৈ নাথাকিলে সময়ত গৈ একেটা ভাষাৰে কিছুমান ক্ষেত্ৰীয় ৰূপ মূৰ দাঙি উঠে। এনেদৰে ৰূপ লোৱা ক্ষেত্ৰভাষাকে সেই ভাষাটোৰ উপভাষা বুলি কোৱা হয়।

"মায়ং" মধ্য অসমৰ অন্তৰ্গত মৰিগাওঁ জিলাৰ পশ্চিম কোণত অৱস্থিত। মায়ং ৰাজহ চক্ৰৰ মৌজা পাঁচখন। মায়ং মৌজা, মনহা মৌজা, পকৰীয়া মৌজা, নিজঘগোৰা মৌজা, গোভা মৌজা। যদিও আচলতে ১৯৫৯ চনতহে মায়ং মৌজাক-মায়ং মৌজা, পকৰীয়া মৌজা আৰু মনহা মৌজা এই তিনিটা ভাগত বিভক্ত কৰা হয়। তথাপি বৰ্তমান আলোচিত বিষয়টো পূৰ্বৰ অবিভক্ত মায়ং মৌজা অৰ্থাৎ ভকতগাঁৱৰ পৰা কাজলিলৈকে এই অঞ্চল ব্যাপি আলোচনা কৰা হ'ল।

এই মায়ং মৌজাখনত বিশেষভাৱে কোচ (সৰু কোচ, বৰকোচ), কেওট, নাথ (যোগী), কাৰ্বি, বড়ো, ডিমাছা-কছাৰী, মিকিৰ, কলিতা, ৰাভা, নেপালী, সংখ্যালঘু অৰ্থাৎ বঙালী আৰু মুছলমান আদি জনজাতি আৰু অ-জনজাতীয় লোকেই প্ৰধান।

মৰিগাওঁ অঞ্চল পুৰণি কালৰেপৰা ক্ৰমান্বয়ে কামৰূপৰ হিন্দুৰজা, কছাৰী/জয়ন্তীয়া ৰজা, লালুং ৰজা, কোচ ৰজা আৰু আহোম ৰজাই ৰাজত্ব কৰাৰ কথা বুৰঞ্জীত উল্লেখ আছে। এই অঞ্চল একাদশ শতিকালৈকে কামৰূপ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল আৰু পিছত কছাৰী ৰজা হেৰম্বৰ অধীনলৈ আহে। কছাৰী ৰজাৰ পশ্চিম সীমা আছিল মায়ং আৰু গোভা।

".....subsequent it seems the Kamarupa kings absorbed the Kapili Valley within their kingdom, the copperplate inscription of Harjavarman has been found at Hayungthal within the Kapili Valley, indicating that in the ninth century A.D. this area was within the Kamarupa kingdom. When the power of the Kamarupa kings woned after the eleventh century, the Hedamba (Kachari) kings extended dominions in the south bank of the Brahmaputra as for as the Dikhaw river on the east and as far as Mayong and Gobha towards the west."

অসমীয়া ভাষা অসমৰ শদিয়াৰপৰা ধুবুৰীলৈকে সমৰূপী নহয়। অঞ্চল বিশেষে ইয়াৰ কিছুমান আঞ্চলিক ৰূপ আছে। অসমীয়া ভাষাগত ক্ষেত্ৰখনক পোনপ্ৰথমে ড° বাণীকান্ত কাকতিয়ে উপভাষিক দৃষ্টিৰে দুটা বহল ভাগত ভাগ কৰিছে ঃ উজনি উপভাষা আৰু নামনি উপভাষা বা পূব অসমীয়া আৰু পশ্চিম অসমীয়া। কাকতিৰ মতে আটাইতকৈ পূব সীমান্তৰ শদিয়াৰপৰা গুৱাহাটীলৈকে কিছু পৰিমানে সমৰূপতা দেখুৱাই আৰু আহোমসকলৰ ৰাজধানী শিৱসাগৰৰ কথিত ভাষাটোৰ পৰা কাচিৎহে চকুত পৰা পাৰ্থক্য দাঙি ধৰে। আকৌ পশ্চিম অসমৰ কামৰূপ আৰু গোৱালপাৰা জিলাৰ কথিত ভাষাৰ মাজতো পাৰ্থক্য পৰিলক্ষিত হয়। ইয়াকো ড° কাকতিয়ে দুটা ভাগত ভাগ কৰিছে ঃ (ক) অবিভক্ত কামৰূপ জিলাত লোকসকলে ব্যৱহাৰ কৰা অৰ্থাৎ প্ৰচলিত কামৰূপী উপভাষা আৰু (খ) অবিভক্ত গোৱালপাৰা জিলাত লোকসকলে ব্যৱহাৰ কৰা বা তেওঁলোকৰ কথিত গোৱালপৰীয়া উপভাষা আনহাতে তেওঁ পূব অৰ্থাৎ উজনি অসমৰ উপভাষা গুৱাহাটী পৰ্যন্ত একে বুলি উল্লেখ কৰিছে যদিও মধ্য অসমৰ ভাষাৰ সৈতে উজনি বা পূব অংশৰ কথিত ৰূপ নিমিলে। উজনি অসম আৰু নামনি অসমৰ নিচিনাকৈ মধ্য অসম অঞ্চলটিও এটা ঔপভাষিক ক্ষেত্ৰ। ড° গোলাক চন্দ্ৰ গোস্বামীয়ে তেওঁৰ গৱেষণা গ্ৰন্থ - "Structure of Assamese" ত পোন প্ৰথমে মধ্য অসমৰ উপভাষাৰ ইংগিত দিয়ে। ড° গোস্বামীদেৱে এনেদৰে মন্তব্য আগবঢ়াইছিল যে—

"অসমীয়া ভাষাটোক তিনিটা ভাগত ভগালে উপভাষিক বৈশিষ্ট্যবোৰ আলোচনা কৰিবলৈ সুবিধা হ'ব যেন লাগে। সেই হিচাপে আমি ড° কাকতিয়ে ধৰিলোৱা উজনি অসমৰ উপভাষা আৰু নামনি অসমৰ উপভাষাৰ মাজতো মধ্য অসমৰ উপভাষা এটা ধৰিব পাৰো। আমি কেবল উপভাষা শব্দৰ ব্যৱহাৰ কৰিলেও তাৰ মাজতো যে বহুতো থলুৱা ভাষা-উপভাষাও সোমাই আছে সেই কথা পাহৰিব নালগিব। এতিয়া তিনিওটা উপভাষা গোষ্ঠীৰ ভৌগলিক সীমা হ'ব এনেদৰে- উজনি উপভাষা দক্ষিণে বৰ্তমান নগাঁও জিলা আৰু উত্তৰে শোণিতপুৰ জিলালৈকেহে মাথোন বিস্তৃত হ'ব। নামনি উপভাষাৰ সীমা হ'ব পশ্চিমে গোৱালপাৰা জিলাৰ পৰা পূৰে কামৰূপ জিলাৰ গুৱাহাটীলৈকে আৰু দুই অঞ্চলৰ মাজৰ এলেকাটোৰেই হ'ব মধ্য অসমীয়া উপভাষাৰ ঠাই। দীপাঙ্কৰ মৰলে মধ্য অসমীয়া উপভাষাৰ প্ৰয়োগ ক্ষেত্ৰখন মূলত ঃ নগাও আৰু মৰিগাঁও জিলা বুলি উল্লেখ কৰিছে। অৱশ্যে ইয়াৰ আঞ্চলিক ৰূপবোৰ (কথিত ৰূপ) বেলেগ বেলেগ।"

মায়ং অঞ্চলটো নতুনকৈ সীমা নিৰ্ধাৰিত মধ্য অসমৰ অন্তৰ্গত। গতিকে ইয়াৰ কথিত ভাষাটোও এই মধ্য অসমৰ উপভাষা গোষ্ঠীৰ ভিতৰত পৰে। ভৌগোলিক, ৰাজনৈতিক, সামাজিক আদি কাৰণতেই মধ্য অসমৰ অন্তৰ্গত মৰিগাঁও জিলাৰ এই বৃহত্তৰ অঞ্চল মায়ং এসময়ত উজনি আৰু নামনি দুয়োটা অঞ্চলৰপৰা বিচ্ছিন্ন হৈ আছিল। ফলত ইয়াৰ কথিত ভাষাই এক সুকীয়া ৰূপ ল'লে আৰু সিয়েই পিছত মায়েঙীয়া উপভাষা ৰূপে জনাজাত হ'ল।

মায়ঙৰ সৰু ৰজা প্ৰেমচন্দ্ৰ সিংহৰ দিনত মায়ং ৰাজ্য আহোমৰ তলতীয়া হয়। আগৰে পৰা জনগোষ্ঠীয় সমন্বয় আছিল মায়ং নামৰ মায়ং ৰাজ্যখন। ভিন ভিন জনগাঁথনিৰ বিচিত্ৰতাৰ ফলত ভাষাটোত নতুন নতুন কিছুমান উপাদান সংযোজিত হৈয়ে আছে। ব্ৰিটিছ ৰাজত্বৰ পূৰ্বৱৰ্তী আৰু পৰৱৰ্তী কালছোৱাত পূৰ্বৰ পাকিস্তান তথা বাংলাদেশৰ পৰা বহু বাংলাভাষী লোকৰ প্ৰব্ৰজন ঘটাৰ কথা সকলোৱে জানে। বাংলাদেশীসকলৰ দৰেই হয়তো ব্ৰিটিছৰ ৰাজত্ব কালতেই বহু নেপালী ভাষী লোক অঞ্চলটোত আহি অসমীয়া জনজীৱনৰ লগত মিলি জীৱন যাপন কৰি আহিছে। উক্ত লোকসকল দ্বিভাষিক, ঘৰুৱা পৰিৱেশত বঙলা আৰু নেপালী ভাষাৰেই ভাৱ বিনিময় কৰে যদিও বাহিৰত অসমীয়া ভাষাৰেই কথা বতৰা পাতে। গতিকে বঙলা আৰু নেপালী এই দুটা ভাষাও মায়েঙীয়া উপভাষাত আপোনা-আপুনি সোমাই পৰিছে।

ইতিহাস প্ৰসিদ্ধ মায়ং যাদুৰ দেশ। মায়ং প্ৰাচীন কামৰূপৰ কামাখ্যাপীঠৰ অন্তৰ্গত হোৱা হেতুকে এই ৰাজ্যতে প্ৰাচীন কালৰে পৰা শাক্ত আৰু শৈৱ ধৰ্মই প্ৰাধান্য লাভ কৰি আহিছিল। শাক্ত ধৰ্মৰ লগতেই যাদু মন্ত্ৰৰ সম্পৰ্ক আটাইতকৈ বেছি হোৱাৰ বাবে মায়ং অঞ্চলতো যাদু মন্ত্ৰৰ প্ৰভাৱ ক্ৰমাগত আজিলৈকে বৰ্তি থাকিল। এই মন্ত্ৰসমূহ অথৰ্ব বেদ আৰু যোগিনী তন্ত্ৰ আদিত বৈদিক ভাষাতে ৰচিত হৈছিল যদিও মায়ং অঞ্চলত ইয়াৰে কিছুমান মন্ত্ৰ মায়েঙীয়া ভাষাতো ৰচিত হৈছিল। কিন্তু এই মন্ত্ৰবোৰ ক'ৰপৰা কেতিয়া উৎপত্তি হ'ল, কোনে উৎপত্তি কৰিলে তাৰ কোনো সম্ভেদ পোৱা নাযায়। উদাহৰণ স্বৰূপে —

*"এভেনি বান্ধিলো জেভেনি বান্ধিলো*
*বান্ধিলো গোহালিৰ গৰু।*
*মাকক বান্ধিলো জীয়েকক বান্ধিলো*
*বান্ধিলো পিঠাৰ চৰু।।*
*পিঠাৰ লট-পট খোলাৰ তপত*
*পিঠাৰ হব যদি মহাদেউৰ শপত।।"*

(পিঠা ভঙা মন্ত্ৰ)

এই অঞ্চলৰ প্ৰধান উল্লেখনীয় দিশটো হ'ল - জনজাতীয় ভাষাৰ প্ৰভাৱ আৰু উপাদান। জনজাতীয়

লোকৰ আবাসস্থল হিচাপে বড়ো, কাৰ্বি, মিকিৰ আদি সকলৰ নিজা নিজা ভাষা থাকিলেও পৰৱৰ্তী কালত অসমীয়া ভাষীৰ সংমিশ্ৰণত নিজৰ ভাষাবোৰৰ প্ৰভাৱ অসমীয়া ভাষাত যিমান পৰিমাণে পৰিব লাগিছিল সিমান পৰিমাণে নপৰিল যদিও আংশিক ভাৱে কিছুমান উপাদান মায়ঙৰ উপভাষাত প্ৰৱেশ কৰিলে, যিবোৰৰ বহুখিনি মান্য অসমীয়াতো বিদ্যমান। বৰ্তমান সময়ত এওঁলোকক দ্বিভাষিক বুলি ক'ব নোৱাৰি। কাৰণ দুই এজন বুঢ়া লোকৰ বাহিৰে তেওঁলোকৰ ভাষা জনা লোক নাই বুলিয়েই ক'ব পাৰি। মাত্ৰ পাভকাটী গাঁৱৰ বড়োলোকখিনিৰ মাজতহে ঘৰুৱা পৰিৱেশত নিজৰ ভাষা ব্যৱহাৰ কৰা দেখা যায়। ইয়াৰ বাহিৰে বাকীবোৰে অসমীয়া ভাষাকেই নিজৰ ভাষা হিচাপে গ্ৰহণ কৰিছে।

মায়ঙৰ উপভাষাৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল পুৰণি অসমীয়া ভাষাৰ বহু বৈশিষ্ট্য ইয়াত অবিকৃত ৰূপত সংৰক্ষিত হৈ আছিছে। প্ৰাক্-বৈষ্ণৱ যুগত মধ্য তথা নামনি অসমেই অসমীয়া সাহিত্যৰ প্ৰাণকেন্দ্ৰ আছিল। উক্ত অঞ্চলৰ ভাষাক কেন্দ্ৰ কৰিয়েই বৈষ্ণৱ তথা প্ৰাচীন অসমীয়া সাহিত্যৰাজি প্ৰণয়ন হৈছিল। সেয়েহে পুৰণি অসমীয়া ভাষাৰ বহু বৈশিষ্ট্য উক্ত অঞ্চলৰ পৰা মচ খোৱা নাই। শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, অনন্ত কন্দলী, ৰাম সৰস্বতী আদি বৈষ্ণৱ কবিসকলৰ লেখনিৰ বাহিৰেও কথা গুৰুচৰিতকে আদি কৰি সাহিত্যসমূহত আৰু আহোম যুগৰ বুৰঞ্জীসমূহত এই অঞ্চলৰ ভাষা সংৰক্ষিত হৈ আছিছে। কথা গুৰুচৰিতত থকা বহু শব্দ মায়ঙৰ উপভাষাৰ লগত একে। সেই শব্দবোৰ এনে ধৰণৰ - আতা, আপি, চেৰি, কাথি, নাঙল, বাজলি, লুম, বাৰি, একা, হালি, লৰু, কান্দি-কাতি, কাটা-কাটি ইত্যাদি।

এই অঞ্চলৰ ভাষাৰ প্ৰধান বৈশিষ্ট্য হ'ল - কামৰূপী উপভাষা আৰু দৰঙী উপভাষাৰ উপাদানৰ লগতে তাৰ প্ৰভাৱ। ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু শব্দ সম্ভাৰ আদি দিশত মায়ং অঞ্চলৰ উপভাষা কামৰূপী উপভাষা আৰু দৰঙী উপভাষাৰ মাজত যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয় যদিও ইয়াৰ কিছু মিল থকাও দেখা যায়। কামৰূপী উপভাষাৰ অঞ্চল কামৰূপ জিলাৰ গাতে লাগি আছে মায়ং অঞ্চল। আকৌ মাজতে ব্ৰহ্মপুত্ৰখনেহে দৰং আৰু মায়ঙক বিভক্ত কৰিছে নহলেটো সিও গাতে লাগি থাকিলহেঁতেন। অতি প্ৰাচীন কালৰে পৰা এই তিনিটা অঞ্চলৰ মাজত সাংস্কৃতিক তথা সামাজিক যোগসূত্ৰ ৰক্ষিত হৈ আছিছে। তদুপৰি কামৰূপৰ ৰামদিয়া আৰু দৰঙৰ পৰা বহুলোক বিভিন্ন কাৰণত বিভিন্ন সুবিধাৰ্থে বহু বছৰ আগৰেপৰাই মায়ঙৰ বিভিন্ন অঞ্চলত স্থায়ীভাৱে বসবাস কৰি আছিছে। তাৰোপৰি স্বাধীনতাৰ পূৰ্বেই উত্তৰ প্ৰদেশৰ মোজাঙৰ (মোজাফৰ) নগৰ, ফৰিদাবাদ আৰু গাজিয়াবাদ নগৰৰ পৰা প্ৰায় পোন্ধৰটামান হিন্দী ভাষী পৰিয়ালো মায়ঙলৈ আহে।

এইদৰে বহু প্ৰকাৰৰ কথিত ভাষীৰ সহৰস্থানৰ ফলত কথিত ভাষাত পাৰস্পৰিক প্ৰভাৱ প্ৰাপ্ত হৈ মায়ঙৰ উপভাষাই এক নতুন ৰূপ পৰিগ্ৰহ কৰিছে। বিভিন্ন সম্প্ৰদায়ৰ লোকৰ বাসস্থান হোৱাৰ বাবে গাওঁ বিশেষে মায়ং অঞ্চলৰ ভাষাৰ ৰূপবোৰ বেলেগ বেলেগ। ইয়াৰে ভকতগাঁও অঞ্চল আৰু মনহা অঞ্চলৰ ভাষাৰ মাজত কিছু অমিল দেখা যায়। আনহাতে পকৰীয়া অঞ্চলত বঙালী আৰু মুছলমান লোক বাস কৰা হিচাবে তেওঁলোকৰ ভাষাৰ লগত মায়ং অঞ্চলৰ আন আন গাওঁবাসী লোকৰ ভাষাৰ মাজত কিছু অমিল। ইফালে যদিও দৰং অঞ্চলৰ পৰা অহা কাজলী চকীৰ লোকসকল, তেওঁলোকে কিন্তু মান্যভাষাই ব্যৱহাৰ কৰে। মায়ং অঞ্চলৰ ৰজামায়ং, হাতীমূৰীয়া, কালশিলা, লোণমাটি, সতীভেটী, ঔগুৰি, ঝাৰগাঁও, চনকা, হিলৈখুণ্ডা, বুঢ়ামায়ং, পশ্চিমমায়ং, কাজলী-চকী, হাতীবগৰা, বৰদিয়া, ১নং মূৰকাটা, ২নং মূৰকাটা, তেতেলীগুৰি, বনমূৰী, জলজলি, শিলডুবি, কুছিয়ানী, পাভকাটি, হাতীগড়, বুৰাবুৰী, ঝাৰগাঁও, মনহা, মনহ কছাৰীগাঁও, দৈপৰা, ভকতগাঁও, বড়মপুৰ আদি বিভিন্ন গাওঁভেদে তেওঁলোকৰ কথিত ৰূপটো বেলেগ বেলেগ। মান্য অসমীয়া ভাষাৰ লগত অমিল থকা বৈশিষ্ট্যসমূহ ফঁহিয়াই চালে বুজা যাব যে, মায়ং অঞ্চলত এটা উপভাষাই নিজাববীয়াকৈ গঢ় লৈ উঠিছে।

মায়ঙৰ ভাষাটোত ধ্বনিগত, ৰূপগত, শব্দগত আৰু বাক্যগত আদি বিভিন্ন ঔপভাষিক বৈশিষ্ট্য বিদ্যমান। তলত এই বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰা হ'ল—

**ধ্বনিগত বৈশিষ্ট্য ঃ**

১। ধ্বনিগত পাৰ্থক্যত মায়ং অঞ্চলৰ বিশিষ্ট স্বৰধ্বনি আৰু বিশিষ্ট ব্যঞ্জনধ্বনি মান্য অসমীয়াৰ লগত কোনো পাৰ্থক্য নাই। মান্য অসমীয়াৰ দৰে মায়েঙীয়া উপভাষাটো বিশিষ্ট স্বৰধ্বনি আঠটা আৰু বিশিষ্ট ব্যঞ্জন ধ্বনি একুৰি এটা। স্বৰধ্বনি কেইটা হ'ল - অ, আ, অ', এ, এ, ই, ও আৰু উ। সকলোবোৰ ধ্বনিয়েই শব্দৰ আদি মধ্য আৰু অন্ত্য স্থানত প্ৰয়োগ হয়। ইয়াৰ হ্ৰস্ব আৰু দীৰ্ঘৰ মাজত উচ্চাৰণৰ কোনো পাৰ্থক্য নাই।

**(ক) শব্দৰ আদি স্থানত ঃ**

| মায়েঙীয়া উপভাষা | মান্যভাষা |
|---|---|
| ইঃ ইতু | এইটো |
| উঃ উবহি | উবহী |
| এঃ এহালি | এগএগ |
| এ'ঃ এইটো | এইটো |
| আঃ আতা | ককাদেউতা |
| অ'ঃ ঘ'ৰি | ঘড়ী |
| অঃ অমৈতা | অমিতা |
| ওঃ ওআনি | ওৰণি |

**(খ) শব্দৰ মধ্য স্থানতঃ**

| মায়েঙীয়া উপভাষা | মান্যভাষা |
|---|---|
| ইঃ ফলিয়া | কান্ধুলিমাছ |
| উঃ লাজুকি বন | নিলাজী বন |
| এঃ খাচে / যাছে | খাইছে |
| এ'ঃ মেখে'লি | মেখেলা |
| আঃ কামলা/কামালা | কাম কৰা মানুহ |
| অ'ঃ অত'বোপা | বহুত |
| অঃ পিপৰ | পৰুৱা |
| ওঃ নাও আ | নাওৰা |

**(গ) শব্দৰ অন্ত্য স্থানত ঃ**

| মায়েঙীয়া উপভাষা | মান্যভাষা |
|---|---|
| ইঃ ভাজনি | শিপিনী |
| উঃ আমলখু | আমলখি |
| এঃ খাচে / যাছে | খাইছে |
| এ'ঃ দে'খে দে'খে | দেশে দেশে |
| আঃ চেঙা | ছাঁ |
| অ'ঃ খাঅ' | জোৰ কৰি খাবলৈ কোৱা |
| অঃ কব | কোৱা কাৰ্য |
| ওঃ লাও | লাৰু |

২। মায়েঙীয়া উপভাষাত একৈছটা বিশিষ্ট ব্যঞ্জন ধ্বনি হ'ল - প, ফ, ব, ভ, স্পৰ্শ ঔষ্ঠ্য; ত, থ, দ, ধ স্পৰ্শ দন্তমূলীয়; ক, খ, গ, ঘ পাশ্চতালব্য; চ, জ ঘৃষ্ট দন্তমূলীয়; স ঘৃষ্ট পশ্চতালব্য; ম, ন, ঙ নাসিক্য; ল পাশ্বিক দন্তমূলীয় আৰু কম্পিত দন্তমূলীয়। 'ঙ'ৰ বাহিৰে সকলো ধ্বনিৰে আদ্য প্ৰয়োগ আছে। এই ধ্বনিটো মধ্য আৰু অন্ত স্থানত প্ৰয়োগ আছে। বাকীবোৰ বিশিষ্ট ব্যঞ্জনধ্বনিৰ আদ্য, মধ্য আৰু অন্ত্য স্থানত প্ৰয়োগ পোৱা যায়। ৰ আৰু য় মায়েঙীয়া উপভাষাত শ্ৰুত ধ্বনি। মায়ঙত বাস কৰা বঙলা ভাষা-ভাষী লোকৰ মুখত কথ্য ভাষাৰ উচ্চাৰণত মূৰ্ধন্য, দন্ত, তালব্যৰ প্ৰয়োগ সময়ে সময়ে হোৱা দেখা যায়। আদি, মধ্য আৰু অন্ত্য স্থানত প্ৰয়োগ হোৱা বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহ তলত উল্লেখ কৰা হ'ল —

**(ক) শব্দৰ আদি স্থানত ঃ**

| মায়েঙীয়া উপভাষা | মান্যভাষা |
|---|---|
| পঃ পুত | পোতা কাৰ্য |
| ফঃ ফুত | কঠালৰ ফুট |
| বঃ বুত | বুটমাহ |
| ভঃ ভুত | অপদেৱতা |
| তঃ তালা | তালা |
| থঃ থান | কাঁহি |
| দঃ দান | দান |
| ধঃ ধান | ধান |
| কঃ কালি | যোৱাকালি |
| খঃ খৰ | ছালৰ ৰোগ |
| গঃ গৰ | কাঠৰ টুকুৰা |
| ঘঃ ঘৈণী | ঘৈণীয়েক |
| চঃ চেংমাছ | গৰকা মাছ |
| জঃ জাল / জঙলি | জাল / যুঁৱলি |

| | |
|---|---|
| সঃ সতি | সতী |
| হঃ হাগ | শৌচ কৰ |
| মঃ মোমাই | মামা |
| নঃ নাই | নাভি |
| ঙঃ আদ্যত প্ৰয়োগ নাই | — |
| লঃ লেলপা পৰা | লেবেলি যোৱা |
| ৰঃ ৰাগ | খং |

(খ) শব্দৰ মধ্য স্থান ঃ

| মায়েঙীয়া উপভাষা | মান্যভাষা |
|---|---|
| পঃ কাপুৰ | কাপোৰ |
| ফঃ কফুৰ | কৰ্পূৰ |
| বঃ পাভ | পাভ মাছ |
| তঃ পতককে | তৎক্ষণাত |
| থঃ কাথি | পিৰালি |
| দঃ মুদা | চকু জপোৱা |
| ধঃ মুধ | ঘৰৰ মূধচ |
| কঃ কাকৰ | কেঁকুৰা |
| খঃ কাখৰ | কিনাৰৰ |
| গঃ নেগনি | নিগনি |
| ঘঃ পঘা | পঘা / জৰি |
| চঃ নিচিনা | মিছামাছ |
| জঃ জুপজাপ | মুঠতে |
| সঃ জেসাহ | জাশাহ |
| হঃ বেহাৰ | সৰিয়হ |
| মঃ আমলখু | আমলখি |
| নঃ সুনিবি | শুনা |
| ঙঃ জঙলি | যুঁৱলি |
| লঃ ফলিয়া | কান্দুলি মাছ |
| ৰঃ গৰহা / গেৰুৱা | গোৰোহা |

(গ) শব্দৰ অন্ত স্থানত ঃ

| মায়েঙীয়া উপভাষা | মান্যভাষা |
|---|---|
| পঃ প্ৰকোপ / পকোপ | প্ৰকোপ |
| ফঃ কফ | কাঁহ বেমাৰ |
| বঃ পাব | দুটা গাঁঠিৰ মাজৰ ভাগ |
| ভঃ লাভ | লাভ |
| তঃ দাত | দাঁত |
| থঃ দাথ | ডাঁৰ |
| দঃ ধুদ | এলেহুৱা |
| ধঃ বুধ | বুধবাৰ |
| কঃ নাক | নাক |
| খঃ নাখ | নষ্ট |
| গঃ হাগ | শৌচ কৰ |
| ঘঃ মাঘ | মাঘ |
| চঃ আঁচ | ৰেখা |
| জঃ মাজ | মাজৰ |
| সঃ বাস | বাস |
| হঃ কাহ | কাঁহ |
| মঃ লুম | নোম |
| নঃ চাতিঅন | চতিয়ান গছ |
| ঙঃ গুৰবাঙ / গুৰুবাঙ | বাঁহৰ চ'তি |
| লঃ কলফুল | কলডিল |
| ৰঃ পিপৰ | পৰুৱা |

৩। মান্য ভাষাৰ অসমাপিকা ক্ৰিয়া বিভক্তি 'এ'ৰ ঠাইত 'ই' হোৱা দেখা যায়। যেনে —

| মান্যভাষা | মায়েঙীয়া উপভাষা |
|---|---|
| গ'লে | গ'লি |
| আহিলে | আহিলি |

কোনো কোনো ক্ষেত্ৰত 'এ'ৰ সলনি 'ইকে' ব্যৱহাৰ কৰা হয়। যেনে —

| মান্যভাষা | মায়েঙীয়া উপভাষা |
|---|---|
| গ'লে | গ'লিকে |
| খালে | খালিকে |
| দিলে | দিলিকে |

আৰু কোনো কোনোৱে 'এ'ৰ ঠাইত 'আ' স্বৰ ধ্বনিৰ উচ্চাৰিত হয়, যেনে —

| মান্যভাষা | মায়েঙীয়া উপভাষা |
|---|---|
| নিলে | নিলা |
| দিলে | দিলা ইত্যাদি। |

৪। স্বৰ সমীভৱন প্ৰক্ৰিয়াৰে মান্য অসমীয়াৰ কিছুমান শব্দ



মায়েঙীয়া উপভাষাত সৰলীকৃত হোৱা দেখা যায়। যেনে-

| মান্যভাষা | মায়েঙীয়া উপভাষা |
|---|---|
| পিতা | পিতাই |
| জেঠা | জেঠাই |
| বিয়ে | বিয়াই |
| ভাদৈ | ভাদেই |
| জাখৈ | জাখেই |

৬। মান্য অসমীয়াৰ কিছুমান ব্যঞ্জনান্ত একাক্ষৰী শব্দ মায়েঙীয়া উপভাষাত 'আ' ধ্বনিযুক্ত হৈ দ্বি-অক্ষৰৰ আ-কাৰন্ত শব্দলৈ ৰূপান্তৰ হয় আৰু 'উ' আৰু 'ও'ৰ ঠাইত 'অ' আৰু 'আ' ব্যৱহাৰ হয়।

| মান্য ভাষা | মায়েঙীয়া উপভাষা |
|---|---|
| মুৰ | মুৰা |
| হাড় | হাড়া / হাৰা |
| পোক | পকা |
| খুটা | খটা |
| বোপা | বাপা |
| গোটা | গটা |
| চকা | চাকা |

৭।নামনি অসমৰ উপভাষাৰ দৰেই মায়েঙীয়া উপভাষাটো মান্য অসমীয়াৰ 'ও' স্বৰৰ ঠাইত 'উ' বা 'অ' আৰু 'এ' ৰ ঠাইত 'ই' পোৱা যায়। যেনে —

| মান্যভাষা | মায়েঙীয়া উপভাষা |
|---|---|
| গোল | গুল |
| কাপোৰ | কাপুৰ |
| দোকান | দকান |
| কান্দোন | কান্দন |
| এন্দুৰ | ইন্দুৰ |
| সেন্দুৰ | সিন্দুৰ |

৮। মায়ঙৰ উপভাষাত দৰঙৰ উপভাষাৰ দৰে এক অক্ষৰ যুক্ত শব্দৰ বাহিৰে আন শব্দৰ শেষত দ্বিস্বৰ 'ঐ' পোৱা নাযায়। মান্য অসমীয়া ভাষাৰ এক অক্ষৰ যুক্ত শব্দৰ বাহিৰে আন শব্দৰ শেষত থকা দ্বিস্বৰ 'ঐ'ৰ ঠাইত মায়েঙীয়া উপভাষাত 'এই' হয়। যেনে —

| মান্যভাষা | মায়েঙীয়া উপভাষা |
|---|---|
| আখৈ | আখেই |
| মিঠৈ | মিঠেই |

মন কৰিবলগীয়া যে মান্য অসমীয়াৰ আদি অক্ষৰত থকা অ/অ' স্বৰৰ ঠাইত মায়েঙীয়া উপভাষাত কেতিয়াবা দ্বিস্বৰ 'ঐ' পোৱা যায়। যেনে —

| মান্যভাষা | মায়েঙীয়া উপভাষা |
|---|---|
| চ'ত | চৈত |
| ব'ঠা | বৈঠা |

৯। মায়েঙীয়া উপভাষাত কেতিয়াবা কেতিয়াবা পূৰ্ববৰ্তী অক্ষৰত থকা নিম্ন-মধ্য স্বৰধ্বনি উচ্চ স্বৰধ্বনিলৈ গতি কৰা দেখা যায়। যেনে —

| | |
|---|---|
| টিকনি | টিকিনি |

১০। মান্য অসমীয়াৰ অনুনাসিকতাৰ সলনি বহু ক্ষেত্ৰত নাসিক্য ধ্বনিৰ প্ৰয়োগ মধ্য অসমৰ ভাষাত মন কৰিবলগীয়া বৈশিষ্ট্যৰ দৰে মায়েঙীয়া উপভাষাতো ই এটা প্ৰধান বৈশিষ্ট্য। মান্য অসমীয়াৰ 'ওঁ', 'ৱঁ', 'ম' আদি মায়েঙীয়া উপভাষাত 'অং' বা 'ং' বা 'ঙ' হয়, যেনে—

| মান্যভাষা | মায়েঙীয়া উপভাষা |
|---|---|
| ধোঁৱা | ধঙা |
| জোঁৱাই | জঙাই |
| তমাল | তঙাল |
| পঢ়োঁ | পহং / পহোং |
| গৈছোঁ | গছং / গছোং |
| লৈছোঁ | লছং / লছোং |
| আহিছিলো | আহিছিলোং/ আহিছিলং |
| যাওঁ | যাং |

১১। মায়ঙৰ উপভাষাত কেইটামান বৰ্ণ বা বিশিষ্ট ধ্বনিৰ মাজত আয়ত বিকল্প (Free variation) পোৱা যায়। 'স' আৰু 'খ', 'খ' আৰু 'য' আৰু 'হ' আৰু 'জ' লগতে 'ঝ' আদি ধ্বনিৰ মাজত আয়ত বিকল্প প্ৰয়োগ ঘটে। যেনে—

| মান্য ভাষা | মায়েঙীয়া উপভাষা |
|---|---|
| আখৰ | আসৰ |
| খাম | যাম |

| | |
|---|---|
| বিষ | বিহ |
| জোঁট | ঝুট |

১২। মায়েঙৰ উপভাষাত মান্য অসমীয়াৰ স্বৰ মধ্যৱৰ্তী শ্ৰুতিধ্বনি 'য' আৰু 'ৱ' কেতিয়াবা 'হ' ধ্বনিলৈ পৰিবৰ্তন হয়। আকৌ কেতিয়াবা লোপ পোৱাও দেখা যায়। যেনে—

| মান্যভাষা | মায়েঙীয়া উপভাষা |
|---|---|
| নিয়ৰ | নিহৰ |
| সেৱা | সেহা |
| তিয়হ | তিহ |
| ছাঁয়া | ছেহা |

১৩। 'য' কাৰ (্য) সংযোগ থকা বৰ্ণটো মধ্যস্থানত 'ই' বা 'এ' আৰু অন্ত স্থানত দ্বিত্ব হিচাপে মায়েঙীয়া উপভাষাত উচ্চাৰিত হয়। সকলো শ্ৰেণীৰ লোকৰ মাজত এই বৈশিষ্ট্য লক্ষ্য কৰা যায়। যেনে —

| মায়ঙীয়া উপভাষা | মান্যভাষা |
|---|---|
| বিয়াকৰণ | ব্যাকৰণ |
| বেৱহাৰ | ব্যৱহাৰ |

১৪। মায়ঙৰ উপভাষাত নাসিক্য ধ্বনিৰ প্ৰৱণতা বেছি যদিও অনুনাসিকতাৰ প্ৰয়োগ কম। মান্য অসমীয়াৰ বেছিভাগ অনুনাসিকতা মায়েঙীয়া উপভাষাত অনুনাসিকতাবিহীন হৈ ব্যৱহাৰ হয়। যেনে—

| মায়েঙীয়া উপভাষা | মান্যভাষা |
|---|---|
| কেচা | কেঁচা |
| ফেচা | ফেঁচা |
| কাকৰ | কেঁকোৰা |
| ভখাৰী | ভঁৰাল |

১৫। মায়ঙৰ কিছুমান উপভাষিক ৰূপত সাদৃশ্যৰ ভাৱত ব্যঞ্জন ধ্বনিক আগম হোৱা দেখা যায়। মান্য অসমীয়াৰ বন্দুক, চন্দুক আদি শব্দত থকা অন্ত 'ক'ৰ সাদৃশ্যত কিছুমান শব্দত 'ক' ধ্বনি নাথাকিলেও অন্ত 'ক' এটাৰ আগম হয়। যেনে —

| মায়ঙীয়া উপভাষা | মান্যভাষা |
|---|---|
| জামুক | জাম |
| ধেনুক | ধেনু |



১৬। 'ৰহ' আৰু 'ঝ'ৰ উচ্চাৰণ মায়েঙীয়া উপভাষাত ক্ৰ 'ৰ' আৰু 'জ' হয়। যেনে —

| মায়ঙীয়া উপভাষা | মান্যভাষা |
|---|---|
| বুৰা | বুঢ়া |
| বুৰি | বুঢ়ী |
| জাৰু | ঝাৰু |

ৰূপগত বৈশিষ্ট্য ঃ

মায়ঙৰ উপভাষাটোত ৰূপগত বৈশিষ্ট্যবোৰে ইয়াৰ বিশিষ্টতা প্ৰতিপন্ন কৰিছে। বচন, লিংগ, কাৰক, শব্দ বিভক্তি, কৃৎ আৰু তদ্ধিত প্ৰত্যয়, নিৰ্দিষ্টতাবাচক প্ৰত্যয় পৰসৰ্গ আৰু ধাতু আদিৰ ক্ষেত্ৰত মান্য অসমীয়াত নথকা বৈশিষ্ট্যবোৰ মন কৰিবলগীয়া।

১। বহুবচন বুজাবৰ কাৰণে 'গিলা', 'বাহা', 'সপা', 'মখা', 'হন্তে', 'ন্তে' আদিৰ বহুবচনাত্মক প্ৰত্যয় প্ৰয়োগৰ মূলতে হ'ল কামৰূপী উপভাষাৰ প্ৰভাৱ। যেনে—

| মায়ঙীয়া উপভাষা | মান্যভাষা |
|---|---|
| আখেই গিলা | আখৈবোৰ |
| চলিবাহা | শিশুবোৰ |
| আমলখুসপা | আমলখিবোৰ |
| গৰুমখা | গৰুবোৰ |
| সিহন্তে / সিন্তে | সিহঁত |

২। মান্য অসমীয়াৰ দৰে মায়ঙৰ উপভাষাটো ব্যাকৰণসিদ্ধ লিংগ নাই। প্ৰধানকৈ তিনিটা উপায় অৱলম্বন কৰি লিংগ নিৰ্ণয় কৰা হয়।

(ক) বেলেগ বেলেগ শব্দ প্ৰয়োগ কৰি,

(খ) পুৰুষ আৰু স্ত্ৰীবাচক শব্দ ব্যৱহাৰ কৰি আৰু

(গ) ভিন ভিন প্ৰত্যয় যোগ কৰি অৰ্থাৎ ই, নি, অনি (ই, নী, অনী) প্ৰত্যয় প্ৰয়োগ কৰি।

(ক) বেলেগ বেলেগ শব্দ প্ৰয়োগ কৰি -

| পুলিংগ | স্ত্ৰীলিংগ |
|---|---|
| আতা (ককাদেউতা) | বুবু / আবু (আইতা) |
| জঙাই (জোঁৱাই) | ৰী (জীয়ৰী) |

(খ) পুৰুষ আৰু স্ত্ৰীবাচক শব্দ প্ৰয়োগ কৰি—

| পুলিংগ | স্ত্ৰীলিংগ |
|---|---|
| মতা কামলা | মাইকী কামলা |



(গ) ই (ঈ), নি (নী), অনি (অনী) আদি ভিন্ন ভিন্ন প্ৰয়োগ কৰি —

| পুলিংগ | স্ত্ৰীলিংগ |
|---|---|
| বঙাল | বঙালনি |
| কলিতা | কলিতানি |
| লেধেপা | লেধেপি |
| চুৰাখোৱা | চুৰাখাইতী |

৩। মায়েঙীয়া উপভাষাত চতুৰ্থী বিভক্তিৰ অৰ্থ সূচাবলৈ মান্যভাষাৰ 'লৈ' / 'অলৈ' ৰ সলনি 'লাগি'/'লেগি' / গ্লে / লাগিনি আদি ব্যৱহাৰ কৰি অৰ্থ প্ৰকাশ কৰা দেখা যায়।

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| তালৈ | তালাগি /তালেগি/ তাগ্লে/তালাগিনি |
| ঘৰলৈ | ঘৰলাগি/ঘৰলেগি /ঘৰগ্লে/ঘৰলাগিনি |

কেতিয়াবা আকৌ 'লৈ'/'অলৈ' ৰ ঠাইত 'ক' বা 'অক' হয়, যেনে —

| মান্যভাষা | মায়হীয়া উপভাষা |
|---|---|
| পথাৰলৈ | পথাৰক |
| মাছক | মাছক |

আকৌ কেতিয়াবা কেতিয়াবা কোনো ক্ষেত্ৰত এই বিভক্তিত 'অত'হে ব্যৱহাৰ হয়। যেনে —

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| ক'লৈ যাবা | ক'ত যাবি |
| ঘৰলৈ যাম | ঘৰত যাম |

৪। মায়ং অঞ্চলৰ উপভাষাত মান্য ভাষাত থকা প্ৰথম পুৰুষৰ বিভক্তি 'ওঁ'ৰ ঠাইত এই উপভাষাত 'অং' আৰু ওং' হয়। যেনে —

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| পঢ়োঁ | পহং / পহোং |
| গৈছোঁ | গছং / গছোং |
| আহিছিলোঁ | আহিছিলং / আহিছিলোং |

৫। মান্য অসমীয়াত ব্যৱহাৰ হোৱা বেছিভাগ নিৰ্দিষ্টতাবাচক ৰূপেই সামান্য ধ্বনিৰ পৰিবৰ্তন হৈ মায়েঙীয়া উপভাষাত ব্যৱহাৰ হয়। যেনে - আখি, আঙনি, আঙুল, কচা, কুৰি, খতা, খুতি, খিলা, খাত, খাজ, খান, গৰা, গুচি, চকল, চতা, চপৰা, চাম, জেনি, ঝাক, টু, টা, টপা, থক, থপন, দাগ, ডাল, ধাৰি, মুঠা, নেচা, লদা, হানি, হঁত, হালি, হাল ইত্যাদি।

৬। মায়ঙৰ উপভাষাত পুৰুষবাচক নিৰ্দিষ্ট বাচক প্ৰত্যয় মান্য অসমীয়াৰ লগত অমিল পৰিলক্ষিত হোৱা দেখা যায়। মান্য অসমীয়াত মোৰ ভাই, তোমাৰ ভায়েৰা, তেওঁৰ ভায়েক ৰূপবোৰ মায়ঙীয়া উপভাষাত মুৰ য মৰ ভাই, তুৰ / তৰ ভায়েৰে, তাৰ ভায়েক হিচাপে প্ৰয়োগ হয়।

৭। একা, তুন, দিয়ক, দে, না আদি ক্ৰিয়াবাচক পৰসৰ্গবোৰ মায়ঙৰ উপভাষাত বহুলভাৱে প্ৰয়োগ হয়, যেনে-সি নাহিল একা, সি যাব তুন, মই জাম দিয়ক, মই জাংদে, তই যাবি না, তই ভাত খালি ন ইত্যাদি।

৮। দিকি / দিগি বিশেষ্যবাচক পৰসৰ্গৰূপে ব্যৱহৃত হয়, যেনে-তই এই দিকি/ দিগি আহ, সি এই দিগি / দিকি গল ইত্যাদি।

৯। মান্য অসমীয়াত 'ইল' কৃদন্তৰ পিছত ব্যৱহাৰ হোৱা 'হেঁতেন' অনুপদৰ সলনি মায়েঙৰ উপভাষাত 'হয়' আৰু 'আ' কৃদন্তৰ পিছত ব্যৱহাৰ হোৱা 'হেঁতেন'ৰ সলনি হয় বা 'হলি' ব্যৱহাৰ কৰে। যেনে -

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| কৰিলোহেঁতেন | কৰিলা হয় |
| খালেহেঁতেন | খালা হয় |
| কৰাহেঁতেন | কৰা হয় / কৰা হ'লি |
| যোৱাহেঁতেন | যোৱা হয় / যোৱা হলি |

সেইদৰে মান্য অসমীয়া 'হ'বলা' অনুপদৰ ঠাইত মায়েঙৰ উপভাষাত 'হ'বলে' ব্যৱহাৰ হয়, যেনে - গ'ল হ'বলে, আহিল হ'বলে ইত্যাদি।

১০। মায়েঙীয়া উপভাষাত মুখ্য ধাতুৰ পাছত 'ঔ' প্ৰত্যয় যোগ দি পাচনী ধাতু গঠন কৰা হয়, যেনে —

ক - ঔ কৌ (কোৱা)

যা ঔ যৌ (যোৱা)

ল ঔ লৌ (লোৱা) ইত্যাদি

১১।নাম ধাতু গঠনৰ ক্ষেত্ৰত দৰঙী ভাষাৰ দৰে মায়ঙীয়া উপভাষাটো বিশেষ্য আৰু বিশেষণ শব্দৰ পাছত 'আ' 'ইআ' প্ৰত্যয় লগ লগোৱা হয়, যেনে -

তপত আ তপতা (উতলা)

ভুকি আ ভুকিআ (ভুকুৱা) ইত্যাদি।

১২। মায়ং অঞ্চলৰ উপভাষাটোত সঘনে প্ৰয়োগ হোৱা মান্য অসমীয়াৰ পৰা অলপ পৃথক অৰ্থত প্ৰয়োগ হোৱা কেইটামান ধাতু হ'ল —

| | |
|---|---|
| কাপোৰ - চিৰ | কাপোৰ ফাল |
| কাপোৰ - জিক | কাপোৰ তিতা |
| মচলা পিচ | মচলা পিহা |
| ধান - পুত | ধান ৰোৱা |
| পেলা | পেলাই দে |
| হাল - মাৰ | হাল বোৱা |
| লাৰ | স্পৰ্শ কৰ |
| হান জোভা | অস্ত্ৰেৰে প্ৰহাৰ কৰা ইত্যাদি। |

**শব্দগত পাৰ্থক্য ঃ**

ধ্বনিগত আৰু ৰূপগতৰ দৰে শব্দগতৰ ক্ষেত্ৰতো মায়েঙীয়া উপভাষাত যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হোৱা দেখা যায়। যেনে—

১। সমন্ধবাচক শব্দ ঃ

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| পিতা | পিতাই |
| ভনীজোঁৱাই | বৈনাই |
| জেঠেৰী | ৰবগিৰি |
| বিয়ে | বিয়েই বিয়াই |
| বিয়নী | বিয়েনী / বিয়ানী |
| আইতা | বুবু / আবু |
| ককাদে | উতা আতা |
| মাহী | মাহুই |
| মা | আই/মাই |

২। শৰীৰৰ অংগ-প্ৰতংগ বুজোৱা শব্দ ঃ

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| মূৰ | মূৰা / টেমা |
| কাষলতি | কাহলতি / কাকতি / কা-তলি |
| কিলাকুটি | কিলাকনি / কিলাকুঁ |
| গলধন | গলধন / গলধনা |
| গোৰোহা | গেৰুৱা |
| তলুৱা | তলা |
| তালু | তালুকা |
| থুঁতৰি | ধেথুৰি / ধুতুৰি |
| সোঁহাত | আগহাত |
| তপিনা | তাপিনা |
| নোম | লুম |

৩। শাক-পাচলি বুজোৱা শব্দ ঃ

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| কলডিল | কলফুল |
| তিতাকেৰেলা | তিতাকাকিয়ল / কেৰেলা |
| ভেদাইলতা | ভেবেলিলতা / ভেদেলি লতা |
| খৰিচা | গাজতেঙা |
| মৰিচা | দাথা |
| নহৰু | ৰহুন |
| লেচেৰা মাহ | লেচেৰী মাহ |
| ৰঙালাউ | ৰঙাকুমুৰা |
| সৰিয়হ | বেহাৰ |
| জালা | জলকীয়া |

৪। ফলমূল সম্বন্ধীয় শব্দ ঃ

| মায়ঙীয়া উপভাষা | মান্যভাষা |
|---|---|
| মুধুৰিআম | মধুৰিআম |
| অমৈতা | অমিতা |
| নাৰিক'ল / নাইকল | নাৰিকল |
| আমলখু / তিফিলা | আমলখি |
| কোঁহাৰ | কুঁহিয়াৰ |
| তিহ | তিয়ঁহ |
| গৰিয়া আলু | মিঠাআলু |

৫। জীৱ-জন্তু সম্বন্ধীয় শব্দ ঃ

| মায়ঙীয়া উপভাষা | মান্যভাষা |
|---|---|
| ইন্দুৰ | এন্দুৰ |
| চেঙুৰি | চেঁউৰী |
| লেজ | নেজ |
| লুম | নোম |
| মোহ | ম'হ |
| বৰা | গাহৰি |
| দৰঘ / দৰখ/দৰক | এবাল |

৬। চৰাই-চিৰিকতি সম্পৰ্কীয় শব্দ ঃ

| মায়ঙীয়া উপভাষা | মান্যভাষা |
|---|---|
| সালিকা | শালিকী |
| যেচুলিকা | ঘৰচিৰিকা |
| কাউৰ | কাউৰী |
| ভেনা | ডেউকা |
| মাছলংকা | মাছৰোকা |

৭। পোক-পতঙ্গ সম্পৰ্কীয় শব্দ ঃ

| মায়ঙীয়া উপভাষা | মান্যভাষা |
|---|---|
| অকণি | ওকনি |
| কেনজুলিকা | কুমজেলেকুৰা |
| গুবৰ লৰুৱা | গুবৰুৱা |
| পিপৰ | পৰুৱা |
| ভমৰা | ভোমোৰা |
| তেলভকুৰা | পইতাচোৰা |
| পকা | পোক |
| চকৰি | পখিলা |
| মনিকা | নাইপিয়া |

৮। মাছ-কৰীসৃপ আদি সম্পৰ্কীয় শব্দ ঃ

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| গঁৰৈ | গৰাই |
| তোৰা | তুৰি |
| বামী | বাঙী |
| ভেচেলি | বেচা |
| শ'লঠাৰি | সলতেঙেনা |
| কান্দুলি | ফলিয়া |
| গেদগেদী | ঘোমাইখাইতি |
| মিছামাছ | নিছিলা মাছ |
| শিঙৰা | তেঙেৰা |
| চেংমাছ | গৰকা মাছ |
| কেঁকোৰা | কাকৰ |

৯। ফুল সম্পৰ্কীয় শব্দ ঃ

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| কৰবী | চুঙাফুল |
| জবাফুল | দাবিয়া ফুল |
| নাৰ্জি ফুল | কাকতি ফুল |
| নয়নতৰা | কাথি কুঁৱলী /কাথিকুঁৱৰী |

১০। গছ-গছনি সম্পৰ্কীয় শব্দ ঃ

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| চজিনা | চজনা |
| চতীয়ান | চতিয়ান / চাতিয়ান |
| নাৰিকল | নাইকল |

১১। ঘৰুৱা শব্দ ঃ

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| খুন্দনা | খুন্দনি |
| গোহালি | গথালি |
| ছাকনী | চেকনি /চাকেনি |
| দুৱাৰডলি | দুৱাৰগৰিয়া |
| পানীপোতা | পানিপচা / পানিমচা |
| কোঠালি | পুলি |
| পিৰালি | কাথি |
| ভৰাল | মেৰ /ভখাৰি |
| শলখা | হৰকলা / নঙলা |
| সৰুপাচি | দুকা / দুন |
| কেৰাহি | লুহিয়া / চৰু / লহৰ |
| বিচনা | বিচিনা |
| হেতা | হাঠা |

১১। খাদ্য সম্পৰ্কীয় শব্দ ঃ

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| খুদ চাউল | খুদু চাউল / খুদি চাউল |

| | |
|---|---|
| আৰৈ চাউল | আল চাউল |
| কোমল চাউল | বুকা চাউল / বকা চাউল |
| গুৰ | মিঁথে |
| পইতা ভাত | জকৰা ভাত |
| নিসনি (ভাতৰ মাৰ) | নিহিনি |
| মদ | মুতনি / গেলা |

১২। কানি-কাপোৰ সম্পৰ্কীয় ঃ

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| মেখেলা | মেখেলি |
| গামোচা | ফালি/গামুচা/মুকচা |
| শিপিনী | ভাজনি |
| ধৃতি | লেংটি |

১৩। বিশেষণ বাচক শব্দ ঃ

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| কৃপণ | চিপিৰা / চিপিনা |
| কেলেঙা | খীন |
| গোল | গুল |
| দীঘল | দীঘলী / লম্বা |
| ৰঙা | লাল |
| শকত | মোটা / পেটলা |
| পনীয়া | পানীয়া |

১৪। ক্ৰিয়া বিশেষণাত্মক শব্দ ঃ

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| এতিয়া | ইতিয়া |
| তেতিয়া | তিতিয়া |
| যেতিয়া | যেনেই / যেহেনি |
| এইফালে | ইদিগি / ইপিনে / ইগিদি |
| কেনেকৈ | কিৰকমে / কেনকে |
| কাহানি | কেহেনিবা / কেহেনি |
| তাহানি | তাহানিবা / তেহানি / তাহানি |

১৫। অন্যান্য শব্দ ঃ

| মান্যভাষা | মায়ঙীয়া উপভাষা |
|---|---|
| বুটাম | গুদাম |
| অসুবিধা | অচল |
| অহাৰপিহত | আহিকেনে |
| সুৰুং | ফফং |
| সকলোবোৰ | চ'ৰ |
| থাইত | থাইঅত |
| মাৰি | বাৰি |
| চিএৰি | আতাহ |
| শেঙুন | শেউন |
| সোণ | সোণা |
| লাঠি | টাঙন |
| হাহাকাৰ | গোলমাল |
| বিহ্লা | বিহ্লা / শেতেলী |
| অঙঠা | আঙৰ |
| ক'লা | কুলা |
| শুকান | শুখন |
| ঘূৰণীয়া | তুপুৰা |
| চকা | চাকা |
| এন্ধাৰ | আন্ধাৰ |
| আঁক | আচ |
| চূণ | চুন |
| কণী | ডিমা |
| ৰচী | ডৰী |
| ধোঁৱা | ধঙা / ধুঙা |
| ধূলি | ধুলা |
| বামুন | বামন |
| ৰূপ | ৰূপা |
| গড়খৰৈ | খান্তা ইত্যাদি। |

মায়ঙৰ উপভাষাত অৰ্থ পৰিবৰ্তনৰ বিশ্লেষণ ম কৰিবলগীয়া। 'মিঁথে' শব্দই মান্য অসমীয়াত 'লাডু' বুজায়। কিন্তু মায়েঙীয়া উপভাষাত মিঁথে মানে 'গুৰ' 'কাথি'ৰ অৰ্থ মান্য অসমীয়াত বাঁহৰ কাঠি, পাচি, চাল কৰিবলৈ কৰা কাথি, মায়ং অঞ্চলৰ উক্ত অৰ্থত ব্যৱ হোৱা উপৰিও 'কাথি' শব্দই 'পিৰালিক' বুজায়। সেয়ে সাধাৰণতে কাথিত হোৱা এবিধ ফুলৰ নাম 'কাথি কুঁৱৰী' অৰ্থাৎ নয়নতৰা। 'পুলি' মানে মান্য অসমীয়াত গছৰ পুলি কিন্তু মায়ঙৰ উপভাষাত গছৰ পুলিৰ উপৰিও ঘৰ কোঠালিক বুজায়। 'গুৰ' শব্দৰ অৰ্থ মান্য অসমীয়াত গুৰ (খাদ্য) বা ভৰিৰে মৰা লাঠি, মায়ঙৰ উপভাষাত গুৰ শব্দই প্ৰধানকৈ গছৰ গুৰ অংশকহে বুজায়। গুৰবাং (বাঁহৰ চটি) শব্দ অৰ্থত সৃষ্টি হৈছে। 'গুৰ' মানে গছৰ গুৰি আৰু 'বাং' মানে বাঁহ, বাঁহৰ গুৰিৰ পৰাহে চতি কৰিব পাৰি।

সেয়েহে বাঁহৰ গুৰিৰ পৰা চটি কৰিলে তাৰ নাম 'গুৰবাং'। কিন্তু কাঠৰ চটিক গুৰবাং নোবোলে, চটি বুলিয়েই কয়। মান্য অসমীয়াত গুৰবাং আৰু চটি একেটা বস্তুকে বুজাবলৈ দুটা শব্দ নাই। 'এহালি' শব্দই মান্য অসমীয়াত ক্ষুদ্ৰ অৰ্থত দুটা অৰ্থাৎ এযোৰক বুজায়, যেনে— পাৰহালি বা এহালি পাৰ। কিন্তু মায়ঙৰ উপভাষাত 'এহালি' শব্দটোৱেই চাৰিটাক বুজায়; যেনে - নেমু এহালি, কণী এহালি ইত্যাদি।

'বতৰ' শব্দই মান্য অসমীয়াত বতৰৰ সামগ্ৰিক অৱস্থাক বুজায়; যেনে - ডাৱৰীয়া বতৰ, খৰাং বতৰ। কিন্তু মায়ঙৰ উপভাষাত 'বতৰপৰা' শব্দই বৰষুণ দিয়াহে অৰ্থ প্ৰকাশ কৰে। 'জাপ' শব্দৰ অৰ্থই মায়ঙৰ উপভাষাত ধানৰ মুঠি বন্ধা কাৰ্য যেনে ডাঙৰীটো ছয়জপীয়া / ছয়জেপীয়া আদি অৰ্থ প্ৰকাশ কৰা কাৰ্যত ব্যৱহাৰ কৰা হয় কিন্তু মান্য অসমীয়াত 'জাপ' মানে কাপোৰৰ ভাঁজ। এনেদৰে অৰ্থ পৰিবৰ্তন দিশটোৱে মায়ঙৰ উপভাষাটোত এক গুৰুত্বপূৰ্ণ আৰু আমোদজনক ভূমিকা গ্ৰহণ কৰি আহিছে।

বাক্যগত বৈশিষ্ট্যৰ ভিতৰত এটা বৈশিষ্ট্য উল্লেখযোগ্য। মান্য অসমীয়াৰ প্ৰথম পুৰুষৰ ক্ৰিয়া 'এ' বিভক্তি সংযোগ হয়।

যেনে - সি ভাত খালে।

সি লাইট জ্বলালে।

কিন্তু মায়ঙৰ উপভাষাত 'এ' বিভক্তিৰ ঠাইত 'আ' বিভক্তিহে সংযোগ হয়। যেনে -

সি ভাত খালা।

সি লাইত জ্বলালা।

ধাতুৰূপ বা ক্ৰিয়া পদৰ ক্ষেত্ৰত মায়ঙৰ উপভাষাত কিছুমান স্বকীয় ৰূপ পোৱা যায়। মায়েঙীয়া উপভাষাত মান্য অসমীয়াৰ উত্তম পুৰুষ 'ওঁ' বিভক্তি সকলো কালতে 'অং' হয়। যেনে -

মান্যভাষা - এই বিলাকৰ পৰা একো কৰি খাব নোৱাৰোঁ।

মায়ঙীয়া উপভাষা - এই সপাপেৰে একো কই খাবা নৰং য নবোং

মান্য ভাষা - মদ সোপা খাই আহিছোঁ।

মায়ঙীয়া উপভাষা - মুতনি / গেলা সপা খাই আহিছং / আহিছোং।

মান্যভাষা - ৰ'বা, মই এইটো কৰোঁ।

মায়ঙীয়া উপভাষা - ৰহ মই এতো য ইতো কৰং য কৰোং।

মান্যভাষা - মই তোমাক বৰ ভালপাওঁ।

মায়ঙীয়া উপভাষা - মই তোক ঢেৰ ভালপাং।

ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে মায়ং অঞ্চলৰ ভাষাত অসমীয়াৰ ভাষাৰ কিছুমান স্থানীয় উপভাষাৰ সংমিশ্ৰণ ঘটিছে আৰু আন অঞ্চলত ব্যৱহাৰ হোৱা কিছুমান স্থানীয় সুকীয়া বৈশিষ্ট্য থকাৰ নিচিনা ইয়াতো কিছুমান সুকীয়া ৰূপ পৰিলক্ষিত হৈছে। মুঠতে অসমৰ 'উজনি' আৰু 'নামনি' কথিত ভাষা দুটাৰ মাজত মায়ং অঞ্চলৰ কথিত ভাষাটোক মধ্যৱৰ্তী উপভাষা হিচাপে চিহ্নিত কৰিব পৰা আঞ্চলিক বৈশিষ্ট্য মায়ঙত আছে।

মায়ং হৈছে যাদুবিদ্যাৰ দেশ। মায়ঙক পঞ্চদেৱতাৰ দেশ, শততীৰ্থৰ দেশ, ৰজা-ৰাজবিষয়াৰ দেশ বুলি কোৱা হয়। নৈ-বিল, জলাশয়, সৰু সৰু পাহাৰ-টিলাৰে প্ৰকৃতিয়ে নিজ হাতে সৃষ্টি কৰা এখন সেউজীয়া দেশ আৰু নানা জাতি-জনগোষ্ঠী মিলি একতাৰে গঢ়ি তোলা এখন সমন্বয়ৰ দেশ। মুখে-মুখে মানুহবোৰে আজিও কয় যে মায়ঙলৈ আহিলে মানুহবোৰ হেনো ভেড়া হয়। ভেড়া নহৈ পাৰেনে? প্ৰকৃতিৰ কি প্ৰতুল ঐশ্বৰ্য, সি মোহনীয় সৌন্দৰ্য, গাওঁবাসীৰ কি আদিম সৰলতা, অকৃত্ৰিম আপ্যায়ন আৰু সম্ভাষণে মোহিত কৰি পেলায়। তাতোকৈ ডাঙৰ কথা হৈছে গাওঁবাসীৰ কথিত ভাষাৰ যি ৰূপ, সঁচাকৈয়ে অতি মনোৰম অতি মোহনীয়। অতিথি মুগ্ধ হৈ ভেড়াৰ দৰে পৰিয়ালৰ এজন হৈ পৰে। মায়ং নামটোতেই হয়তো লুকাই আছে এক দুৰন্ত মায়া, যি মায়াই এবাৰ যাক চুই যায় তেওঁ মায়াৰে বান্ধ খাই মায়ঙীয়া হৈ পৰে।

এয়া এটি সংক্ষিপ্ত আলোচনাহে। বিস্তৃত আৰু

নিখুঁত আলোচনাৰ বাবে নিশ্চয় গভীৰ অনুসন্ধান আৰু অধ্যয়নৰ প্ৰয়োজন। মায়ং অঞ্চলৰ উপভাষা ৰূপবোৰ বিজ্ঞানসন্মত অধ্যয়ন হ'লেহে মায়েঙীয়া উপভাষাৰ কথিত ৰূপৰ এখন প্ৰকৃত ছবি আমি দেখিবলৈ পাম। মায়ঙৰ উপভাষাৰ ওপৰত বিশিষ্ট গৱেষকসকলে অধিক গৱেষণা কৰি মায়ঙৰ ঐতিহ্য স্বৰূপ মায়েঙীয়া উপভাষাক পূৰ্ণাঙ্গ ৰূপত উপস্থাপন কৰিলে ভৱিষ্যত বংশধৰসকলে মায়ঙৰ উপভাষাৰ ইতিহাস জানিব পাৰিব।

**প্ৰসংগ পুথি আৰু প্ৰবন্ধ ঃ**


গোস্বামী, গোলোক চন্দ্ৰ ঃ ভাষা সন্মিলনৰ সভাপতিৰ অভিভাষণ, কামৰূপ জিলা, সাহিত্য সভা, অষ্টাদশ অধিবেশন, ৩ ফেব্ৰুৱাৰী, ১৯৯০।

ড° পাটগিৰি, দীপ্তি ফুকন ঃ অসমীয়া ভাষাৰ উপভা

হাজৰিকা, লোকেন্দ্ৰ ঃ মায়ঙৰ ইতিহাস।

ড° পাঠক, ৰমেশ ঃ অসমীয়া ভাষাৰ ইতিহাস।

ড° গোস্বামী, উপেন্দ্ৰ নাথ ঃ অসমীয়া ভাষাৰ উদ্ভৱ স আৰু বিকাশ।

নাথ, জীৱকান্ত ঃ মায়ঙৰ উপভাষা, মৰিগাঁৱৰ উপভা

বৰা, ভোগেশ্বৰ ঃ মায়েঙীয়া উপভাষা।

ড° গোস্বামী, গোলোক চন্দ্ৰ ঃ অসমীয়া ব্যাকৰণৰ মৌ বিচাৰ।

Baruah, Kanaklal _ 1973 Studies in the Ea History of Assam

শৰ্মা, অনুৰাধা ঃ মধ্য অসমৰ উপভাষা ঃ এক বিশ্লেষণ। ■


ঈশ্বৰ মন্দিৰত নাই, অৰণ্যত নাই, গুহাত নাই, ঈশ্বৰ আছে মানুহৰ অন্তৰত, বিচাৰিব জানিলেই হ'ল।

— তুলসী দাস

✧ ★ ✧

পৃথিৱীৰ ভিতৰত আটাইতকৈ ঠগাব পৰা লোকজন হ'ল নিজেই।

— বনুৱাৰ লিলে



# আক্ৰমণ


শ্ৰীপৱন কুমাৰ বিষয়া

সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ


মে' মাহৰ গৰমটো বাঢ়িকৈয়ে লাগিছিল। গৰম লাগিলেওঁ ভাবিবৰ উপায় নাই। বীৰেনে মোৰ কাষতেই তাৰ ষ্টেন্‌গানটো পৰীক্ষা কৰি আছে। এখন মানবী হিয়া থকাৰ বাবেই নেকি মনটো মোৰ বাৰে বাৰে খেলি-মেলি ভাৱনাত কঁপি উঠিছে। বাৰে বাৰে সেমেকি উঠিব খোজে আজিৰ আঁচনিৰ কথা ভাবি। যিখন পমুৱা বস্তিতে সেনাৰ অপাৰেচন্‌ৰ সময়ত লুকাই আছিলো তাতেই হাতত উদ্যত মাৰণাস্ত্ৰলৈ আক্ৰমণ!! যিমানে ভাবিছো মোৰ হাতৰ বন্দুকটো সিমানে ওজন হৈ খহি পৰিব খুজিছে। যিজনী ৰেজিবাই ভনীৰ মৰম আৰু শাসনেৰে আগুৰি ৰাখিলে, যিজন ৰহমত কাকা, চুফিয়াবৌৱে আল্লাৰ দোৱা মাগি আমাক সেনাৰ পৰা বচাই লুকুৱাই ৰাখিলে আজি তাতেই আক্ৰমণ! যিমানে আবেগিক চিন্তাক দমন কৰিব খুজিছো সিমানে চিন্তাবোৰে কিল্‌বিলাই ফুৰিছে। জহৰ দাদাই কি ভাবিব?? এটা পৰিয়াল পোহপাল দিবৰ বাবেই গুৱাহাটী মহানগৰীত ৰিক্সা চলাই আস্থা আৰু বিশ্বাসত ঘৰতে এৰি গৈছে বৃদ্ধ ৰহমত কাকা, চুফিয়া বৌ, ৰেজিবা আৰু ৪ বছৰীয়া কণমানি 'মুন্না'। ৰেজিবা জাতিত মুছলমান হ'লেও তাই মোৰ ভনীৰ দৰেই .......... "এই দুৰ্বলৈ চাই কি ভাবিছ? বন্দুকটো এবাৰ পৰীক্ষা কৰি ল ৰাভা দাদাইঁত গাড়ীলৈ আহি পাব হৈছে-

বীৰেনৰ মাতত সম্বিত ঘূৰাই পালো। সন্ত্ৰাসবাদত নামিছো যেতিয়া ভাবুক হৈ কি লাভ? বন্দুকটো, কাৰ্টিজ আদি পৰীক্ষা কৰিব ধৰিলো। বাস্তৱত মই বৰ্তমান পমুৱা বস্তিৰ লগতে থকা কেৰ্কুঁৰিটোৰ কাষৰ জংঘলত লুকাই আছো। আমাৰ দৰে আনবোৰেও ঠায়ে ঠায়ে বহি আছে। আমি বৰ্তমান অপেক্ষাকৃত আমাৰ আঁচনিৰ নেতৃত্ব বহন কৰা ৰাভাৰ গাড়ীখন আৰু আক্ৰমণৰ সেউজ সংকেতলৈ। হাতত গুলীৰ ব্ৰেটপাত লৈ পৰীক্ষা কৰিব ধৰিলো, মনত পৰিল সিদিনালৈ যিদিনা ৰেজিবাই হাতত মাৰণাস্ত্ৰলৈ যাওঁতে ভনীৰ মৰমৰে ধমকি দিছিল — "পদুমদাদা তইঁতৰ হিয়াত দয়া মৰম নাই, তইঁতৰ হাতত বন্দুক শোভা নাপায়, কিমান কাম পৰি আছে, তইঁতৰ কাম কৰাৰ শক্তি আছে, দেশৰ সমস্যা তেতিয়াহে মৰিব। মানুহ মাৰিলে যদি সকলো সমস্যা দূৰ হয় প্ৰথমে মোকে মাৰি যাবিহি ......" বিভিন্ন যুক্তি, বিভিন্ন কথাৰে তাইক মই পতিয়ন নিয়াইছিলো, কিন্তু আজি ???

হঠাতে কাৰোবাৰ মাত শুনি থমকি ৰ'লো। গম ল'লো, হয়তো ৰহমত কাকাৰ লগৰ কেইজনমানে সন্ধিয়াৰ নামাজ কৰি মছজিদৰ পৰা ওলাই আহিছে। আমাৰ ওচৰতে গোপনে বহি থকা বুদুৰুহঁতো নিশব্দ হৈ ৰ'ল। আমাৰ উপস্থিতিৰ উমান পায় ফেঁচা এটাই কৰ্কশ মাতেৰে উৰি গ'ল। মছজিদৰ কাষৰ আম গছডালৰ এটা কুলিয়ে তেতিয়াও মাতি আছে। পমুৱা বস্তিত এটা কুকুৰে অৰ্নগল ভুকি আছে। সন্ধ্যাটো যেন ক্ৰমে জয়াল হৈ পৰিছে। যিমানে অপেক্ষাৰ ক্ষণ বাঢ়িছে সিমানে ভাবিছো— ৰেজিবাই ছাগে লেম্পৰ পোহৰত বিছনীলৈ পঢ়ি আছে, মাজে মাজে মুন্নাই ছাগে মাকৰ ওচৰৰ পৰা গৈ ৰহমত কাকাক আমনি কৰিছে। প্ৰায়েই গৈছিলো ৰহমত কাকাৰ ঘৰত। পৰিয়ালটিৰ প্ৰতি এক অহৈতুক প্ৰীতি আছে। কুলিটিয়ে বৈ বৈ মাতিয়েই আছে। কুলিটিৰ মাতেৰেই ক'ব মন গৈছিল— 'ৰেজিবা কুলিৰ মাত শুনি তইঁতে

টোপনি মাৰি নেথাকিবি, মুন্নাকলৈ তহঁত পলা, যা বেজিবা বহমত কাকাক লৈ যা। আৰু ভাবিব নোৱাৰিলো দূৰত গাড়ীৰ পোহৰ দেখি আমি প্ৰত্যেকেই আক্ৰমণৰ বাবে প্ৰস্তুত হলো।

গাড়ী আহি পোৱাৰ লগে লগে সৈনিক ভংগীৰে আমিবোৰ গাড়ীত উঠি পমুৱা বস্তিৰ ফালে গতি কৰিলো। হাই কামাণ্ডৰ নিৰ্দেশিত বস্তি পোৱাৰ লগে লগে আমিবোৰ নামি দ্ৰুতগতিৰে ভাগে ভাগে গুছি গ'লো। হঠাতে বস্তিৰ চাৰিওঁদিশ চিঞৰ-বাখৰ, কান্দোন — আৰ্তনাদ, দৌৰাদৌৰি হুলস্থুলীয়া পৰিবেশে বিৰাজ কৰিলে। কোনেৰে গমেই নাপালে ক'ত কি হ'ল? মোৰ ওচৰৰ বীৰেনৰ ষ্টেনগানটো বাঘৰ দৰে গৰ্জি উঠিল গুৰুম, গুৰুম। ধোঁৱা— আৰু কেঁচা তেজ-মাংসৰ গোন্ধই নিৰৱ সন্ধিয়াটো জয়াল কৰি তুলিলে। বলিয়াৰ দৰে বস্তিৰ ইটোঘৰৰ পিছত সিটো ঘৰত চলিল নিৰ্বিচাৰ আক্ৰমণ। চাৰিওফালে জ্বলাই দিয়া হ'ল ঘৰবোৰ। জুইত পোৰা মানুহৰ গোন্ধই গোটেই বস্তিৰ আকাশ বতাহ আৱৰি ধৰিলে।

কোন সময়ত আহি বেজিবাহঁতৰ দুৱাৰ ভাঙি সোমাই পৰিলো একো ধৰিব নোৱাৰিলো। মুখত ক'লা কাপোৰ পিন্ধা হাতত উদ্যত মাৰণাস্ত্ৰ লোৱা যমদূত দেখি চুকিয়াবৌৱে মুন্নাক সাৱটি আৰ্তনাদ কৰি চিঞৰি উঠিল। বেজিবাই দৌৰি আহি বৃদ্ধ বহমত কাকাক সাৱটি ধৰিলে। মুখত ক'লা কাপোৰ নথকা হ'লে বহমত ককাই ছাগে ক'লেহেতেঁন — "পদুম ভয় নাই, তহঁতৰ গাঁৱতো যদি কোনোবাই জুই দিছে তহঁত ইয়াতে থাক্ সকলোকে আল্লাই বচাব'। হাতত মাৰণাস্ত্ৰলৈ অহাৰ বাবে বেজিবাই ভগ্নীৰ মৰম আৰু শাসনেৰে ক'লেহেঁতেন — "হাতত বন্দুকলৈ স্থানীয় মানুহখিনিৰ ওপৰত তহঁতৰ বীৰত্ব, সেনা দেখি পলাই আহি লুকাব আহিছ, নিদিয় কিয় বীৰত্ব দেখুৱাই"। ভনীৰ দৰেই তাই আমাক প্ৰায়েই গালি দিয়ে। কিন্তু একেজন যমদূত পদুমদাক দেখি তাই ভয়ত চিঞৰি উঠিছে। মুখৰ কাপোৰখন খুলি উন্মাদৰ দৰে ক'ব মন গৈছিল — "ভয় নাই বেজিবা মই তোৰ গালি খোৱা পদুম দাদাহে... বিজুলী গতিৰে বহুত কথাই বিবেকটো জোকাৰি গ'ল।

হঠাতে বিপৰীত দুৱাৰেৰে হাতত উন্মত্ত AK 47 টো লৈ সোমাই আহিল ব্ৰহ্ম। ভোকাতুৰ সিংহৰ দৰে
গৰজি উঠিল ব্ৰহ্মৰ AK 47 গানটো তেজেৰে তুমুৰ
হৈ বেজিবাই আৰ্তনাদ কৰি পৰি গ'ল বহমত কাক
মৃতদেহৰ ওপৰত। বেজিবাৰ শৰীৰত ব্ৰহ্মৰ বুলেটে থ
সৰকা কৰিলে, তাইৰ শৰীৰৰ গৰম কেঁচা তেজ মোৰ মুখ
ছিটিকি পৰিলহি। বলিয়াৰ দৰে চিঞৰি দিব মন গৈছি
— Stop ব্ৰহ্ম, কিন্তু নোৱাৰো আমি হাইকামাণ্ড আ
দলীয় অনুশাসনৰ তলতীয়া। চুফিয়াবৌ গুলী লাগি ব
ছিটিকি পৰিল গমেই নাপালো কিন্তু ৪ বছৰীয়া মুন্নাৰ মৃ
ছিটিকি আহি মোৰ ভৰিৰ ওচৰতে পৰিলহি। ক্ষন্তেক সময়
বাবে মোৰ মগজু, মোৰ হৃৎপিণ্ড স্তব্ধ হৈ পৰিল। চকু
একো নেদেখা যেন লাগিল। এফালৰ পৰা গুলীয়া
ধাৰাশায়ী কৰি ব্ৰহ্ম সমুখ দুৱাৰে আন আক্ৰমণৰ বা
ধুমকেতুৰ দৰে ওলাই গ'ল।

ভৰিৰ কাষতে পৰি থকা 'মুন্নাৰ মুখখন চালো, মে
খাই থকা চকু দুটাই যেন মোক বিদ্ৰূপ কৰিছে। মুখ
ক'লা কাপোৰে যমদূত সন্মুখত দেখি ভয়তে কান্দি
অহা তাৰ চকুলো দুধাৰি তেনেকৈয়ে আছিল। অন্তৰ
কোনোবাখিনিত বৰকৈ দুখ পালো। মুন্নাৰ চকু দুটা জপা
দিলো, বৈ আহিব খোজা চকুলোক বিবেকৰ কমালে
মচিলো। শেষবাৰৰ বাবে বেজিবাৰ ফালে, কাৰণ কাষ
যোৱাৰ সাহস মোৰ নাছিল। নিঠৰ মুখখন তেজেৰে লুতু
পুতুৰি হৈ আধা মাটিত আধা বিছনাত পৰি আছে তাই
ৰক্তাক্ত মৃতদেহ। আধা মেলখাই থকা তাইৰ উজ্জ্বল চকু
তেতিয়াও শেঁতা পৰা নাই। বেজিবাৰ ওঁঠযুৰিয়ে যে
মোকেই বিদ্ৰূপ কৰি কৈছে — পদুম দা, দুৰ্বল দিন মজু
কৰি খাই থকা মানুহখিনি মাৰি বীৰত্ব প্ৰদৰ্শন কৰি
লাভ নাই। নিৰস্ত্ৰ এচামকে শক্তি প্ৰদৰ্শন কৰি হত্যালী
চলালেই সমস্যা সমাধান নহয়। তোমালোকৰ এ
হত্যাকাণ্ডই কাৰোৱে কল্যাণ সাধন নহয়। সময় থাকোতে
ভুল পথৰ পৰা ঘূৰি আহা পদুমদা। ভৱিষ্যত প্ৰজন্মৰ বা
হিংসা আৰু অশান্তিৰ বীজ ৰোপন নকৰিবা। যোৱা ....
যদি সচাঁ সাহস আছে, তোমাৰ ৰিক্সাৱালা জহৰদাদাক
কোৱাগৈ আমি নিজ হাতে তোৰ মুন্না আৰু বেজিবাহঁত
বন্দুকেৰে মৃত্যুৰ শীতল কোলাত শুৱাই দি আহিছো। যে
..... ৰৈ আছা কিয়? যোৱা বীৰ পুৰুষ হাতত মাৰণাস্ত্ৰ লৈছা যেতিয়া সাধাৰণ মানুহৰ কেঁচা তেজেৰে ফাকু খেলিব পাৰিছা যেতিয়া, স্বদেশ-স্বজাতিৰ কল্যাণৰ বাবে আমাক মাৰিছা যেতিয়া, তুমি গৈ ক'ব পাৰিবা।

বলিয়াৰ দৰে লাগিছিল। তেজ-মঙহৰ কেঁচা গোন্ধ, বিবেকৰ তীব্ৰ দংশনত মই পাগল হৈ যাম যেন লাগিছিল। নাই .... নাই ........ মই বলিয়া হৈ যাম। মাত্ৰ চকুমুদি হাতৰ বন্দুকটো সজোৰে ধৰি এন্ধাৰৰ মাজলৈ দৌৰি ওলাই গ'লো লক্ষ্য মাথো আমাৰ শিবিৰটো। আক্ৰমণৰ দৃশ্যপটে, মোৰ বিবেকক প্ৰচণ্ডভাৱে আঘাত কৰিলে। আমি কি কৰিব খুজিছো?? এই আক্ৰমণে আমাক আৰু আমাৰ উত্তৰ পুৰুষক কিবা দিবনে?? মই, ৰাভা নাইবা ব্ৰহ্মহঁত আমি সচাঁকে বিবেকহীন নেকি?? নে আমি কাৰোবাৰ প্ৰৰোচনামূলক ইংগিতত নাচিছো?? এই গণহত্যা এই সন্ত্ৰাসবাদ কাৰ বিৰুদ্ধে?? গভীৰ বিবেকৰ দংশনত এন্ধাৰে এন্ধাৰে দৌৰিছো আমাৰ শিবিৰটোলৈ...... মোক উত্তৰ লাগে, মোক প্ৰায়চিত্ত লাগে। প্ৰায়চিত্ত ........... !!! ■

পাপক ঘিণ কৰিবা, কিন্তু পাপীক ঘিণ নকৰিবা।

— যীশুখ্ৰীষ্ট

✧ ★ ✧

ভগৱানৰ ওচৰত আমি সকলো সমানে জ্ঞানী আৰু সমানে মূৰ্খ।

— এলবাৰ্ট আইনষ্টাইন

# নিঃসংগ বাঁহীৰ সুৰ

বৃষ্টি কলিত
সহকাৰী অধ্যাপক, অসমীয়া বিভা

সকলো বাঢ়ে, এজোপা গছৰ দৰে। শৰীৰ, মন, সপোন সকলোবোৰেই বাঢ়ি যায় ক্ৰমশঃ। সপোন, এৰা সপোন। সপোনো বাঢ়ি গৈ থাকে। এই যে সপোনবোৰ, এইবোৰ বাকচৰ দৰে। এটাৰ ভিতৰত আন এটা সোমাই থাকে। কিন্তু সপোন আৰু বাস্তৱ কেতিয়াবা একে হ'ব পাৰেনে? সপোনৰ পৰা বাস্তৱৰ পথটোলৈ যি দূৰত্ব সেয়া নিৰ্দিষ্ট হ'ব পাৰেনে? নোৱাৰে ... কেতিয়াও নিৰ্দিষ্ট হ'ব নোৱাৰে এই দুই পথৰ মাজৰ কোণ। পঁচিছ, ষাঠী, এশ বিছ, দুশ আশী যিকোনো হ'ব পাৰে। তথাপিও সপোনৰ এটা সুকীয়া অস্তিত্ব আছে, আছে নিজস্ব সত্বা। কিন্তু স্থায়িত্ব? শৈশৱ, কৈশোৰৰ সময়ছোৱাত ক'ত কি সপোনেই যে দেখা নাছিল তাই। কিন্তু লাহে লাহে তাই লক্ষ্য কৰিছে, জীৱনৰ জটিল সমীকৰণে সকলোবোৰেই যেন আপেক্ষিক কৰি তুলিছে। সেই সপোন, সেই আৱেগ, স্পৃহা সকলোবোৰ যেন ক'ৰবাত হেৰাই গৈছে। হেৰাই গৈছে ক্ৰমশ ঃ তাই ভাল পোৱা আটাইবোৰ এটা এটাকৈ। কেতিয়াবা তাইৰ চিঞৰি চিঞৰি সকলোবোৰ ওভোতাই আনিবলৈ মন যায়। গুচি যাবলৈ মন যায় ওভতনিৰ এক যাত্ৰাৰে ভটিয়নী সোঁতত। কিন্তু নোৱাৰে। ৰূঢ় বাস্তৱে তাইৰ সেই উত্ৰাৱল আবেগ নিমিষতে টুকুৰা-টুকুৰ কৰি পেলায়। এনেকৈয়ে শূন্য হৈ যায় সকলো .....। হাঁহাকাৰ আৰু নোপোৱাৰ বেদনাৰে......।

মাজে মাজে সঁজাত বান্ধি থোৱা চৰাইৰ দৰে ছটফটাই উঠে তাই। অসহ্য যন্ত্ৰণাত.... মানুহ কি ইমান অস্থিৰতাৰ মাজতো জীয়াই থাকিব পাৰে? সকলো থাকিও ইমান নিঃসংগ। ইমান অসহায়। কিন্তু কিয়? ক'ৰবাত যেন কিবা এটা নাই। নিজৰ ওপৰতে ধিক্কাৰ ওপজে কুঁৱলীৰ। নাভাবো বুলিও, আওকাণ কৰি থাকো বুলিলেও বৰ্তমান এই অস্থিৰতাক সামৰি সুতৰি থ'বলৈ অসম্ভৱ কষ্ট হ তাইৰ। জীৱনৰ প্ৰতিটো খোজতে যেন কেৱল কাঁইট, আৰ কাঁইট। এডাল কাঁইট আঁতৰাই পাৰ হৈ যাব খোজোতে আন এডাল কাঁইটে আহি বাট আগচি ধৰে। কিয় ইমা বিশৃংখল সকলোতে? জীৱনটো যোগ অংক এটাৰ দৰে সৰল হোৱা হ'লে .....।

সকলো খেলি-মেলি হৈ যায় তাইৰ। কলিজা এফাল যেন কিহবাই মুচৰি পেলায়। নাই, এনেকৈ আৰ নোৱাৰি। আজীৱন কি এই অস্থিৰতা কঢ়িয়াই লৈ ফুৰি তাই ......? জোনাক, জোনাক, আস্ জোনাক......। কি সপোন দেখা নাছিল তাই জোনাকক লৈ। জোনাকৰ সৈতে এখন নিখুত সংসাৰ আৰম্ভ কৰিব। জোনাকৰ সবল বা আলিংগনত পুষ্ট হ'ব তাইৰ যৌৱন। শিৰাই শিৰাই প্ৰবাহি হ'ব এক বুজাব নোৱাৰা অনুভৱ। জীৱনৰ সমস্ত ৰঙে জুৰুলা হ'ব তাইৰ মন। জীৱনৰ খলা-বমা বাটত কোনো তাইলৈ শিল ইটা দলিয়ালেও সেই শিল ইটাৰে সিহঁ সংসাৰখনৰ বিশ্বাসৰ সৌধটো পকী কৰাই ল'ব। কি ক'তা? আজি চাৰিটা বছৰে একোৱেইচোন কৰা নহঁ এটা গোলকৰ মধ্যবিন্দুৰ পৰা একেলগে গতি কৰি জোনা আৰু কুঁৱলী ৰ'লগৈ সুমেৰু আৰু কুমেৰুৰ দূৰত্বত। জা জানে বাৰিষাৰ পাছত খৰালি আহে, পূৰ্ণিমাৰ পাছ অমাৱস্যা। কিন্তু ইমান সোনকালে, ইমান ......?

মানুহ কেতিয়া পূৰ্ণ হয়? কিমানখিনিলৈ যোৱাটো আচলতে পূৰ্ণ? নাই, তাইৰ বাবে ৰহস্য হৈ থাকি যায় এই পূৰ্ণতা।

'কিয় ইমান অস্থিৰ হৈ পৰিছা তুমি? মো কোৱাচোন। প্লিজ কোৱানা...।' নাই, জোনাকে এনেকৈ নোকোৱাও বহুদিন হ'ল। জোনাকে এনেকৈ ক'লেই যে কোমল হাঁহি এটা বিয়পি পৰি তাইৰ মুখখন পোহৰ হৈ যাব, সেই সামান্য কথাটোও জোনাকে নাজানেনে? হয় জোনাকে নাজানে। আগতে জানিছিল, কিন্তু এতিয়া নাজানে। জানিও নজনাৰ ভাও জুৰি ৰয়।

স্খলিত গছপাতৰ দৰে তাই যেন এতিয়া অন্য এক জলঘূৰ্ণিত পাক খাবলৈ ধৰিছে। তাইৰ এই শব্দব্যথিত একাকীত্ব আৰু নিৰ্জনতাৰ গভীৰ অন্ধকাৰৰ পৰা ওলাই অহাৰ সকলো পথেই যেন ৰুদ্ধ হৈ পৰিছে। এটা সময় আছিল, অনবৰতে তাইৰ বুকুৰ ভিতৰখন আমোলমোলাই আছিল জোনাকৰ দেহ-মনৰ সুবাসেৰে। কিন্তু আজি সেই সুবাসে কুঁৱলীৰ মনত কোনোধৰণৰ তৃষা নজগায়। কি নাম আছিল সেই তৃষাৰ? কি নাম আছিল...? নাই, সেই তৃষাৰ নামকৰণ তাইৰ বাবে সাধ্যাতীত। কেতিয়াবা মানুহৰ কিছুমান অনুভৱৰ নাম, শ্ৰেণী অথবা সংজ্ঞা নিৰূপণৰ পৰা বহু দূৰৈত ৰৈ যায়। স্মৃতিৰ পটত ৰৈ যায় সেই নামহীন তৃষা। কিন্তু কুঁৱলীয়েতো কোনো অসৰ্তক মুহূৰ্ততো ভৱা নাছিল জোনাকে তাইৰ অন্তৰত জগোৱা সেই তৃষাও এদিন স্মৃতি হ'ব। সুপ্ত হৈ থাকিব কোনো গভীৰৰ অটল তলিত। চিঞৰি চিঞৰি তাইৰ প্ৰাণৰ সেই আকুল প্ৰাৰ্থনা, যেন কাৰোবাক ক'বলৈ মন যায়-'দিয়া, মোক আকৌ সেইসময় ঘূৰাই দিয়া। সেই দিনবোৰলৈ আকৌ উভতি যাওঁ মই। মুমূৰ্ষ অন্তৰত জোনাকে পুনৰ বুলাই দিয়ক নৱজীৱনৰ সঞ্জীৱনী স্ফুধা।' কিন্তু কাক ক'ব তাই? হৃদয়ৰ অন্তস্থলীৰ পৰা নিগৰি অহা সেই কৰুণ প্ৰাৰ্থনাৰ নিস্ফলতাই তাইৰ দুচকু সেমেকাই তোলে। নিৰন্তৰ প্ৰবাহিত জীৱনত মানুহে পিচলৈ ঘূৰি চাব পাৰে, কিন্তু ঘূৰি যাবতো নোৱাৰে। সময়ৰ নিৰ্মম বিচাৰত মানুহ কিয় ইমান অসহায় হৈ পৰে তাই বুজি নাপায়।

তাই কবিতা আবৃত্তি নকৰা কিমান দিন হ'ল বাৰু? শেষবাৰ ক'ত আবৃত্তি কৰিছিল তাই? বিশ্ববিদ্যালয়ত? নে ক'ত? কিমানদিন হ'ল বাৰু? ওহো, সঠিক মনত নপৰে। জোনাকে যে কৈছিল তাইক, 'তুমি ক'লে তোমাৰ আবৃত্তি শুনিবলৈকে মই সদায় যাম তোমাৰ ওচৰলৈ এবাৰকৈ।' তাইৰ আবৃত্তি শুনি ভালপোৱা জোনাকে তাইৰ আবৃত্তিৰ কেছেট এটাকে উলিয়াইছিল। তাই ওচৰত নাথাকিলেও হেনো মন গ'লেই সি তাইৰ আবৃত্তি শুনিব পাৰিব। কথাটো মনত পৰাৰ লগে লগে কুঁৱলীৰ মুখখনত কৃত্ৰিম হাঁহিৰ ৰেশ এটা বিয়পি পৰিল। মন গ'ল এবাৰ কেছেটটো চুই চাবলৈ। যেন জোনাকৰ সমস্ত মৰম এতিয়াও থূপ খাই আছে তাত।

'হেই কি কৰিছা? ইচ্ ইচ্ কি বাজে কামবোৰ যে নকৰা তুমি। কিহে পাইছে তোমাক সেই লেতেৰা কেছেটবোৰ চুবলৈ? পেলাই দিয়া সেইবোৰ, পেলাই দিয়া। য'ত সব আৱৰ্জনা ......।'

'আৱৰ্জনা.......। আৱৰ্জনা ......। ........ মোৰ আবৃত্তিৰ কেছেটটো তোমাৰ বাবে আজি আৱৰ্জনা হ'ল?' ক'বলৈ মন গৈছিল যদিও কুঁৱলীৰ একো কোৱা নহ'ল। অস্ফুট কিবা এটাহে মুখেৰে বাহিৰ হ'ল। মগজুৰ কোনোবাখিনিত যেন টক্‌টক্‌কৈ খুন্দিয়াই থাকিল এটা শব্দই।........ আৱৰ্জনা। আৱৰ্জনা ......। উদাস দৃষ্টিৰে চাই ৰয় জোনাকলৈ। আস, সেই চাৱনিৰ অৰ্থ এবাৰ যদি বুজিলেহেঁতেন জোনাকে। কুঁৱলীৰ মগজুত বাৰম্বাৰ খুন্দা মাৰিলেহেঁতেন......।

এনেকুৱা প্ৰায়েই হয় আজিকালি। কিছুমান সৰু সৰু শব্দই পেণ্ডুলামৰ ৰূপলৈ মগজুত দুলি থাকে। কেতিয়াবা একোটা প্ৰকাণ্ড হাতোৰাৰ ৰূপলৈ পেণ্ডুলামটোৱে যেন মূৰত সজোৰে খুন্দা মাৰে। যন্ত্ৰণা সহিব নোৱাৰি তাই বাগৰি পৰে বিছনাত।

জোনাকৰ বহু কথাই আজিকালি বুজি নাপায় কুঁৱলীয়ে। আচলতে বুজি পাবলৈ জোনাকৰ স'তে কিমাননো কথা পতা হয় তাইৰ? কথা পাতিবলৈ সময়খিনিবা ক'ত জোনাকৰ? দিনটোৰ আটাইখিনি সময় নিজৰ কামক লৈয়েই ব্যস্ত। তাইৰ ফালে এবাৰ চাবলৈকো সময় নাই। দিনটোৰ সমস্ত ব্যস্ততাৰ অন্তত নিশা যেতিয়া ঘৰ সোমায়হি, তেতিয়া আৰু তাৰ কুঁৱলীৰ লগত কথা পাতিবলৈ মন নাথাকে। দেহত প্ৰচণ্ড ভাগৰ। প্ৰকৃততে তাৰ দেহত ভাগৰ নে মনত ভাগৰ সেয়া কুঁৱলীয়ে বুজি নাপায়। বিয়াৰ আগতে সেইজন জোনাকেইতো তাইক

কৈছিল, 'তুমি কথা ক'লে বৰ তেজস্বী লাগে। বুকুখন আন্দোলিত হৈ উঠে।' সেইজন জোনাকৰে বুকু আন্দোলিত কৰিব পৰাকৈ কথা কোৱাৰ কোনো প্ৰয়োজন নহয় তাইৰ। তেন্তে কাক ক'ব তাই মনৰ কথা? কাক ক'ব......? তাইৰ আৱেগ, অভিমান, অভিযোগৰ মূল্য কোনে দিব? বুজিবলৈ বহুত অসুবিধা হয় তাইৰ বুকুখন ভাৰাক্ৰান্ত হৈ উঠে। কিমানদিন আৰু তাই এজন পুৰুষৰ ওচৰত এইদৰে ঘৃণা, অৱহেলিত জীৱন এটা কটাই থাকিব? তাইৰ জীৱনলৈ কি সুদিন নাহিব কোনোদিনে? তাই আশা কৰে জোনাকৰ সৈতে আগৰ দৰে কিছুমান মুহূৰ্ত পাৰ কৰিবলৈ। তাই বিচাৰে পোহৰৰ বুকুত এন্ধাৰৰ পৰ্যৱসান ঘটক। ঘটিবনে? ঘটিবনে ......? কপালত পৰি থকা চুলিডাল লাহেকৈ আঁতৰাই দি জোনাকে ক'ব, ইমান ধুনীয়া তুমি। তোমাক এৰি যে মই থাকিব নোৱাৰিম। আহানা, আমি সাগৰ হওঁ। নৈ হৈ বৈ আহা মোৰ বুকুলৈ - বিলীন হৈ যোৱা মোৰ বুকুত, বিলীন হৈ যোৱা ...।' ক'বনে জোনাকে আকৌ আগৰ দৰে এনেকৈ? ক'বনে??

কোনো উত্তৰ নাই এইবোৰ প্ৰশ্নৰ। কোনো উত্তৰ নাই। উত্তৰহীন প্ৰশ্নবোৰ কুঁৱলীৰ মনৰ মাজত কেৱল হাঁহাকাৰ সৃষ্টি কৰে। এই হাঁহাকাৰে বুকুৰ ভিতৰত ঘূৰ্ণী বতাহৰ সৃষ্টি কৰে। ঘূৰ্ণীবতাহৰ প্ৰকোপত তিষ্ঠিব নোৱাৰি কুঁৱলীৰ দুচকুৰে ধাৰাষাৰে প্লাৱন নামে। দুখ-যন্ত্ৰণাই যাৰ জীৱনৰ বাবে পাথেয় তাৰ বাবে কান্দোনৰ বাহিৰে আন কি সান্ত্বনা আছে? কিন্তু বুকু ভগা কান্দোনেও তাইক শান্ত কৰিব নোৱাৰে। খিৰিকীৰে চাই ৰয় দূৰৈৰ আকাশ। গছৰ সৈতে কথা কয়। আকাশৰ প্ৰতি সৰুৰে পৰাই তাইৰ প্ৰচণ্ড মোহ আছে। সেই মোহগ্ৰস্ততাৰ নাম কি তাই নাজানে, আকাশ জানে। হয়, কেৱল আকাশে। খিৰিকীৰ কাষত বহি নিজৰ সমস্ত দুখ, অভিযোগৰ কথা তাই আকাশক কয়। আকাশে শুনে, খুব মনোযোগেৰে শুনে। কিন্তু জোনাকে .....?

সকলোৰে অলক্ষিতে এই অস্থিৰতাবোৰে ক্ৰমশঃ তাইক কুৰুকি কুৰুকি খাবলৈ আৰম্ভ কৰে।

নিজকে তাই বুজাবলৈ চেষ্টা কৰে। এইজনেইতো তাইৰ মানুহ ...... তাইৰ আপোন মানুহ ..... অতিকৈ আপোন। যাৰ আগত সকলো কথা অকপটে খুলি কৈ[illegible] হয়। কিন্তু নহয়গৈ ...... একেবাৰেই কোৱা নহয়গৈ তাই[illegible] মানুহজনৰ ব্যস্ততা, ৰুক্ষ মাত শুনিলেই তাইৰ উলাহ[illegible] মনটো স্বয়ংক্ৰিয়ভাৱেই কেঁকেলুৱাৰ দৰে সংকুচিত [illegible] আহে। জোনাকে যেন সম্পূৰ্ণ নিজৰ দৰেই থাকি[illegible] বিচাৰে ..... অকলশৰে। কুঁৱলী নহ'লেও যেন চলি যায়.... খুব ভালকৈয়ে চলি যায়।

লাহে লাহে তাই অনুভৱ কৰিলে, তাই[illegible] চাৰিওফালে যেন এটা কঠিন তৰপৰ সৃষ্টি হৈছে। [illegible] পাৰি শামুকৰ খোলা। খোলাটোৰ ভিতৰত থকা হালধী[illegible] সেউজীয়াৰ দৰে শেঁতাপৰা লপথপীয়া কোম[illegible] অস্তিত্বকণৰ সৈতে জীয়াই থকাৰ অভ্যাস কৰি ল[illegible] তাই। তাইৰ অস্থিৰতাখিনি যে আকাশৰ বাদে আন কোনে[illegible] নাজানে। এৰা, পৃথিৱীতনো কাৰ ইমান সময় আছে, তাই[illegible] লৈ যে ব্যস্ত থাকিব দিন-ৰাতি। তাইৰ ভাৱনাবোৰক গুৰু[illegible] দিবলৈ তৎপৰ হৈ উঠিব। তাই নাজানে নিজৰ আৱে[illegible] জেদ, অভিমান কেনেদৰে উপস্থাপন কৰিব লাগে। নাজা[illegible] বাবেইতো তাই মাজে মাজে কেঁকেলুৱাৰ দৰে সংকুচি[illegible] হৈ উঠে। জোনাকে তাইক কৈছিল, 'প্ৰেক্টিকেল হোৱ[illegible] বস্তুবাদী পৃথিৱীত ইমান ইম'চনেল হ'লে এদিন পস্তা[illegible] লাগিব।' জোনাকৰ সেই 'প্ৰেক্টিকেল' শব্দটোৰ অৰ্থ তা[illegible] যেন ঠিক বুজিব নোৱাৰে। কেৱল এটা দিনৰ বাবে, এ[illegible] মুহূৰ্তৰ বাবে জীৱনটোক মুখৰিত কৰাৰ, সময়ত তৰঙ্গি[illegible] কৰাৰ যাৰ অকণো হাবিয়াস নাথাকে, সেইজনেই [illegible] 'প্ৰেক্টিকেল'? নিজৰ 'মানুহজনী'ৰ অন্তৰৰ গভী[illegible] আকৃতিয়েও যাৰ অন্তৰত কোনো ভাৱৰ ব্যঞ্জনা সৃষ্টি কৰি[illegible] নোৱাৰে সেইজনেই কি 'প্ৰেক্টিকেল'? যিজনে কেতিয়া[illegible] নিঃসংগ অনুভৱ নকৰে, উপলব্ধি নকৰে শূন্যতা বা গভী[illegible] যন্ত্ৰণা, সেইজনেই কি প্ৰেক্টিকেল'? আপোনাজন[illegible] অনুপস্থিতিত যিয়ে কেতিয়াও একাকীত্ব অনুভৱ নকৰে[illegible] সেইজনেই 'প্ৰেক্টিকেল'?

এয়াই যদি প্ৰেক্টিকেলৰ সংজ্ঞা হয়, তেন্তে এ[illegible] সংজ্ঞা তাইৰ বাবে কেতিয়াও গ্ৰহণযোগ্য নহয়। কি[illegible] এইবোৰ কথাক লৈ জোনাকৰ লগত তৰ্ক কৰিবলৈ তাই[illegible] মন নাযায়। ভিতৰি ভিতৰি ধুমুহাত উঘালি পৰা গছ হ'লে[illegible] বাহিৰত সম্পূৰ্ণ নিৰ্বিকাৰ হৈ থাকিবলৈ চেষ্টা কৰে। কিন্তু ধৈৰ্যক বান্ধি ৰাখিব পৰা যাদুকাঠী তাইৰ হাতত আছেনে? আছেনে তাইৰ হাতত ........?

কওঁ বুলিও একো ক'ব নোৱাৰে তাই জোনাকক। অন্তৰৰ কোনোবা দুৰ্গ ভেদি ওলাই আহে এক গধুৰ হুমুনিয়াহ। এৰা, তপত হুমুনিয়াহ। সেই হুমুনিয়াহে জানো পাৰিব জোনাকৰ অন্তৰত শুকাই জীৱাশ্ম হৈ পৰা প্ৰেম নতুনকৈ উজ্জীৱিত কৰি তুলিব? পাৰিবনে.......? পাৰিবনে.....?

নাই, এনেকৈ আৰু নোৱাৰি। একেবাৰেই যেন সহ্য কৰা নাযায়। কিমান আৰু ধূপৰ ধোঁৱাৰ দৰে জ্বলিব তাই? মমৰ দৰে গলিব? কিন্তু কি কৰিব তাই? কথাবোৰ যে কাকো ক'ব নোৱাৰে। খুলি ক'ব নোৱাৰা কথাবোৰে তাইক খুলি খুলি খোৱা হৈছে। আৰু তেতিয়া? মগজুৰ ভিতৰত প্ৰচণ্ড ধুমুহা বয়। সেই ধুমুহাক ক্ষান্ত কৰিবলৈ তাই মাথো সম্পূৰ্ণ নিৰ্লিপ্ততাৰে স্বগতোক্তি কৰি যায় সেই সূক্ষ্ম অনুভূতিবোৰ .... যিবোৰ কথা কাকো ক'ব নোৱাৰাৰ যন্ত্ৰণাত বুকুৰ পৰা ডিঙিলৈকে টনটনাই উঠে, সেইবোৰ কথা কেৱল আকাশে শুনে.........।

* * *

এৰা, কেৱল আকাশে শুনে .....।

তাই নাৰী। নাৰীত্বৰ মহিমাৰে তাই জোনাকৰ বাবে কি কৰা নাই। গোটেই জীৱনটো কৰ্মব্যস্ততাৰ মাজতে বুৰ গৈ থকা মানুহজনৰ শেষ সময় এতিয়া। এক কঠিন ৰোগত আক্ৰান্ত হৈ বিছনাৰ মাজতে আৱদ্ধ কৰি ৰাখিবলৈ বাধ্য হৈ পৰিছে তেওঁ। এতিয়া আহি থকা সময়বোৰ তেওঁৰ বাবে এলাগী। ব্যস্ত হ'ব নোৱাৰে নিজৰ ইচ্ছামতে এই সময়বোৰত। ইমানদিনে কুঁৱলীয়ে বহু ব্যাকুলতাৰ পাছতো নিজৰ মানুজনক একান্ত নিজৰ বুলি মনৰ কথা ক'বলৈ কাষতে পোৱা নাছিল। এতিয়া দিনটোৰ চৱিশ ঘণ্টাই তেওঁৰ সৈতে লাগি থাকে তাই। মনৰ কথা ক'বলৈ সুযোগ পাইছে তাই। কিন্তু? তাই এতিয়া সুখী অনুভৱ কৰা নাই। কৰ্মব্যস্ত মানুহজনৰ কৰ্মময়তাৰ লগত একাত্ম হৈ পৰি তাই যদিও সেই সময়ছোৱাত অতৃপ্ত আছিল, তথাপি আজিৰ দিনবোৰতকৈ সেই দিনবোৰ সুখৰ আছিল। আন নহ'লেও মনৰ মাজত হেঁপাহ কিছুমানে বাঁহ বান্ধি আছিল।

জোনাকে কয়, তাইৰ বাবে তেওঁ এতিয়া আৰু প্ৰেক্টিকেল নহয়। জীৱনৰ শেষ দিনকেইটা তেওঁ আৱেগেৰে ধুৱাই দিব খোজে কুঁৱলীক। তেওঁ ৰাখি থৈ যাব নোখোজে তাইৰ তাহানিৰ আবেগৰ আবদাৰবোৰ। এতিয়া আৰু তেওঁ প্ৰেক্টিকেল হ'ব নোখোজে, নোৱাৰেও। দুৰাৰোগ্যই কোঙা কৰি পেলাইছে তেওঁৰ শৰীৰকহে, মনটোক নহয়। এতিয়া আৰু তেওঁ সেই 'প্ৰেক্টিকেল'ৰ খোলাটোৰ ভিতৰত সোমাই নাথাকি মনৰ ভিতৰত সোমাব খোজে নিজৰ মানুহজনীৰ। কেঁচুৱাৰ দৰে আচৰণ কৰিবলৈ লৈছে তেওঁ কুঁৱলীৰ আগত। গৰম পানীৰে ভৰি ধুৱাই দিয়াৰ পৰা, মুখত পানীৰ গিলাচটো লগাই দিয়ালৈকে সকলো কৰিছে কুঁৱলীয়ে। তায়ো ওলাই আহিছে ইমানদিনে বন্দী হৈ থকা খোলাটোৰ পৰা।

কুঁৱলীয়ে অনুভৱ কৰিছে তাইহে যেন প্ৰেক্টিকেল হ'ব ধৰিছে। লাহে লাহে। জোনাকৰ আলপৈচান ধৰাৰ পৰা ঘৰখনৰ সকলো দায়িত্ব পালন কৰালৈকে সকলোতে সময়ৰ নিয়মানুৱৰ্তিতা মানি চলে তাই। নহ'লেচোন কামবোৰ সময়মতে সিজি নুঠেগৈ। কামবোৰ সময়মতে নকৰিলেও মনটো ভাল লাগি নাথাকে, নিজকে নিজৰ ওচৰত দোষী অনুভৱ হয়। এতিয়া লাহে লাহে তাই বুজি উঠিছে জোনাকৰ 'প্ৰেক্টিকেল'ৰ সংজ্ঞাটো। তাই অনুভৱ কৰিছে আৱেগসৰ্বস্বই কেতিয়াও জীৱন হ'ব নোৱাৰে। জীৱনটো নিয়াৰিকৈ চলাই নিবলৈ সকলোৱেই 'প্ৰেক্টিকেল' হ'ব লাগিব।

তাই কোঠাৰ এচুকৰ বিছনাত পৰি থকা তাইৰ মানুহজনলৈ চালে। বৰ শান্তভাৱে শুই আছে তেওঁ। কৰ্মব্যস্ত জীৱনৰ শেষ সময়ছোৱাত তেওঁ কি ভাবি আছে তাই নাজানে। কিন্তু অতদিনে মানুহটোৰ প্ৰতি থকা তাইৰ অভিযোগবোৰ মনে মনে উঠাই লৈছে তাই। তাইৰ কাণৰ পৰা অতদিনে বাজি থকা বাঁহীৰ করুণ সুৰটোও নোহোৱা হৈ গৈ আছে ....... গৈ আছে। ■

চুটি গল্প

# মায়ঙৰ মায়াৰী

শ্ৰীপূৰৱী দেৱ
স্নাতক তৃতীয় যান্মাসি

সেইদিনা আছিল শনিবাৰ। দীপকে বজাৰলৈ যাওঁ বুলি হাতত মোনাখন লৈ ঘৰৰ পৰা ওলাই আহি ৰাস্তাত ভৰি দিছে মাত্ৰ। তেনেতে বগা ৰঙৰ ইণ্ডিকা গাড়ী এখন হঠাতে চিলনী অহা দি আহি দীপকৰ ওচৰতে ৰাখি দিলেহি। দীপকৰ ঘপহকৈ খং উঠি গ'ল আৰু ক'লে যে কি অভদ্ৰ মানুহ গাড়ী ৰাখিবলৈ ঠাই বিচাৰি নেপালে। মনতে বহুত কিবা কিবি ভোৰভোৰালে। কাৰণ গাড়ীৰ পাছত অহা ধূলিবোৰ গোটেই দীপকৰ নাকে-মুখে সোমাই পৰিছিল।

ঃ ভাইটি কথা এটা কওঁ বেয়া নোপোৱা যদি। গাড়ীৰ পৰা এজন ভদ্ৰ মানুহ নামি আহি দীপকক উদ্দেশ্যি ক'লে।

ঃ নাই বেয়া নেপাও কওঁক।

ঃ মানে আমি এটা ডাঙৰ বিপদত পৰিছো। আমাক এজন ভাল ওজাৰ প্ৰয়োজন আছিল। বেয়া নোপোৱা যদি তুমি আমাক এজন ভাল ওজাৰ ওচৰলৈ নিবা নেকি? ইতিমধ্যে গাড়ীখনৰ পৰা আৰু দুজন মানুহ নামি আহিল।

প্ৰথমতে দীপকে কিছু সময় মনে মনে থাকিল আৰু তাৰ পাছত ক'লে "মই আপোনালোকক এজন ভাল তান্ত্ৰিকৰ ওচৰলৈ লৈ যাম" কিন্তু মোক আপোনালোকে দুশ (২০০) টকা দিব লাগিব। মানুহকেইজনে মান্তি হৈ দীপকক গাড়ীত বহায় ল'লে। দীপকৰ নিৰ্দেশ মতে তেওঁলোক এটা খলা-বমা ৰাস্তায়েদি আগবাঢ়িল। কিছুদূৰ যোৱাৰ পাছত তেওঁলোকে মায়ং পাহাৰটোৰ ওচৰ পালেগৈ। গাড়ীখন অকণমান বহল ঠাইত থৈ আটাইকেইজন দীপকৰ পিছে পিছে গৈ থাকিল। এটা সৰু লুংলুঙীয়া ৰাস্তায়েদি তেওঁলোক পাহাৰটোৰ ওপৰলৈ উঠি গ'ল। কিছু বাট যোৱাৰ পাছত তেওঁলোকৰ নাকত মানুহ পুৰা, মানুহ পুৰা এটা গোন্ধ ভেকেচকৈ লাগিল। তেওঁলোকৰ এজনেতো বমিয়েই কৰিব খুজিছিল। তেনেতে কিছুদূৰ যোৱাৰ পিছত তান্ত্ৰিকজনৰ আশ্ৰম পালেগৈ। তেতিয়া সময় ঠিক ১২.৩০ হৈ মান হৈছিল। এজন সাধুৱে তেওঁলোকক আশ্ৰমৰ সৰু জুপুৰী ঘৰটোৰ বাৰাণ্ডাত পাৰি থোৱা পাতিতেই বহিবলৈ দিলে আৰু ক'লে বাবা এইমাত্ৰ সাধনাত বহিছে গতিকে কিছুসময় অপেক্ষা কৰিব লাগিব।

প্ৰায় আধাঘণ্টামানৰ পাছত সেই সাধুজনে আটাইকে ভিতৰলৈ মাতি নিলে। ভিতৰত সোমোৱাৰ লগে লগে দীপকৰ বুকু কঁপি গ'ল, কাৰণ আগতে এই আশ্ৰমলৈ আহিছিল যদিও এই ঘৰটোত সোমাই পোৱা নাছিল। বাবাজন বহি আছে, ওচৰতে যজ্ঞৰ মণ্ডপ। চাৰিটা কোণত চাৰিটা মানুহৰ লাওঁখোলা। ওচৰতে কিছুমান কিহবাৰ হাড় দেখি তাৰ বুকু কঁপি গ'ল।

ঃ কোৱাচোন বচ তোমালোক কিয় আহিলা! বাবাজনে মাত লগালে। ইমান সময়ে মানুহ কেইজনে বাবাজনৰ পিনেই চাই আছিল। দেহৰ কৃত্ৰিম চেহেৰা, গালত দীঘল দীঘল দাড়ি, চকুকেইটা ডাঙৰ ডাঙৰ। দেখিলেই এনে লাগে এটা পিশাচহে।

বাবাজনৰ মাতত গোটেই কেইজন থতমত খালে। তাৰপাছত ভদ্ৰ মানুহজনে বাবাজনৰ ওচৰলৈ গৈ সেৱা এটা জনাই ক'লে।

ঃ প্ৰভু, মই এজনী ছোৱালীক বহু দিনৰ পৰা ভাল পাইছিলো। এতিয়া তাই জানো কি হ'ল মোক দেখিবই নোৱাৰা হ'ল। অহা সপ্তাহত তাইৰ বিয়াও পাতিছে অন্য এজন ল'ৰাৰ লগত। গতিকে সেই বিয়াখন বন্ধ কৰিব লাগে। তাৰ বিনিময়ত আপোনাক যি পইচা লাগে মই দিম কিন্তু বিয়াখন ভাঙিব লাগে।

বাবাজনে অলপ সময় মনে মনে থাকি ক'লে, 'চোৱা বচ জন্ম, মৃত্যু, বিবাহ এই তিনিও কৰ্ম বিধাতাৰ অনুমতিত। আমি নৰমনুষ্যই মন্ত্ৰৰ বলত কাৰোবাক হত্যা কৰো, কাৰোবাৰ বিয়া ভাঙো আৰু কাৰোবাক জোৰ কৰি বিয়া কৰায় দিওঁ। কিন্তু কেতিয়াবা আমাৰ মন্ত্ৰও বিফল হৈ যায়। তথাপি মই তোমালোকক এটা তাবিজ দিম। তোমালোকে যদি তাবিজটো দৰাৰ ঘৰৰ চৌহদত পুতিব পাৰা তেন্তে এই বিয়াখন কেতিয়াও নহয়।'

'হ'ব প্ৰভু, মই পুতিব পাৰিম', ভদ্ৰ মানুহজনে ক'লে।

তাৰ পাছত তান্ত্ৰিকজনে হাতত এডাল হাড় লৈ চকু দুটা মুদি মন্ত্ৰ উচ্চাৰণ কৰিবলৈ ধৰিলে। কিন্তু কি আচৰিত লগে লগে বাহিৰত প্ৰচণ্ড ধুমুহা ব'বলৈ ধৰিলে। চাৰিওপিনে কোলা অন্ধকাৰ হৈ গ'ল। মেঘে কৰা গৰ্জনিত কাণ তাল মাৰিব ধৰিলে। তিনি মিনিট মানৰ পাছত বাবাজনে চকু মেলিলে কিন্তু আচৰিত কথা বাবাজনে চকু মেলাৰ লগে লগে কোনো হাবা, বতাহ, মেঘৰ গুজৰণি সকলো নাইকিয়া হ'ল। বাবাজনে তেওঁলোকক উদ্দেশ্যি ক'লে তোমালোকে দৰা আৰু কইনাৰ নাম আৰু সিহঁতৰ মাক-দেউতাকৰ নাম কেইটা এখন কাগজত লিখি দিয়া। ভদ্ৰ মানুহজনে লগে লগে পকেটৰ পৰা কাগজ কলম উলিয়াই নামকেইটা লিখি বাবাজনৰ হাতত দিলে। বাবাজনে কাগজখন চাৰিওটা লাওঁখোলাত এবাৰ এবাৰ সোমোৱাই জুইত পুৰি দিলে আৰু মানুহকেইজনক বাহিৰত বহিবলৈ ক'লে। আটাইকেইজন আহি বাহিৰত পাৰি থোৱা পাতিত বহিলহি। কিছুসময়ৰ পাছত সাধুজনে তাবিজটো আনি ভদ্ৰ মানুহজনৰ হাতত দিলেহি। ভদ্ৰ মানুহজনে তাবিজটো লৈ পকেটৰ পৰা পাঁচশ (৫০০) টকা এখন উলিয়াই সাধুজনৰ হাতত দিব খুজিলে।

ঃ নাই নাই এইবোৰ আমাৰ প্ৰভুৱে নলয়। মাথো কাম হ'লে কালী মন্দিৰত এটা পাৰ চৰাই বলি দিবলৈ কৈছে আৰু এই তাবিজটো যিজনে পুতিব তেওঁ আজি গোটেই ৰাতি অন্ন গ্ৰহণ কৰিব নোৱাৰিব। 'হ'ব' বুলি কৈ আটাইকেইজনেই বিদায় লৈ গুচি আহিল। তললৈ দৌৰোতে ভদ্ৰ মানুহজন পিচলি পৰি বোকাৰে লুতুৰি পুতুৰি হ'ল। শেষত বৰষুণত তিতি তিতিয়েই তলৰ সৰু পুখুৰী এটাত বোকাবোৰ ধুই ল'লে। ইতিমধ্যে বাকীকেইজন গাড়ীত বহিল আহি। লাহে লাহে তেওঁও আহি গাড়ীত বহিলহি। ড্ৰাইভাৰে গাড়ীখন ষ্টাৰ্ট দি লাহে লাহে গাড়ীখন আগবঢ়াই নিলে। গাড়ীত আটাইকেইজনে নিজৰ নিজৰ মন্তব্য আগবঢ়ালে। সঁচাকৈ মানিব লাগিব কিন্তু এই ওজাজনক। সাধনা কৰা যজ্ঞ দেখিছ কি ভয়ংকৰ এজনে ক'লে। দীপকে মাথো মনতে ভাবিলে কেনেকৈনো ঘৰ পাওঁগৈ। তাৰ নিজকে নিজে কিবা মৰিশালীলৈ যোৱা যেন অনুভৱ হ'ল। গাড়ীখন লাহে লাহে আহি দীপকৰ ঘৰৰ সন্মুখত ৰাখিলেহি। ইতিমধ্যে বৰষুণ এৰিছে। ঘড়ীটোলৈ চালে ৫ বাজিলেই। দীপকক গাড়ীৰ ভিতৰতেই মানুহজনে এশ টকা বেছিকৈ দি মোবাইলৰ নম্বৰটো লৈ গুচি গ'ল।

দীপকে গা-পা ধুই ফ্ৰেচ হৈ ল'লে। ৰাতিৰ ভাতকেইটা খায় বিচনাত বাগৰ দিলেগৈ। চিলমিলকৈ টোপনি আহিছিলহে মাত্ৰ। মোবাইল ফোনতো বাজি উঠিল। ঘড়ীটোলৈ চালে নটা পোন্ধৰ।

ঃ হেল্ল।

ঃ হেল্ল, ভাইটি মই গুৱাহাটীৰ পৰা ক'লো। সেই যে বাবাৰ ওচৰত গৈছিলো।

ঃ হয়, কওঁকচোন কিবা অসুবিধা হৈছে নেকি?

ঃ অসুবিধা মানে ডাঙৰ কথা হ'ল। তাবিজটো ক'ৰবাত হেৰাই গ'ল। বহুত বিচাৰিলো ক'তো নেপালো। কি কৰা যায় বাৰু এতিয়া।

ঃ অস .. কথাটো বেয়া হ'ল নহয়। হ'ব বাৰু কাইলৈ আপুনি সোনকালে আহিব। আমি তালৈকে যাম। হয়তো তাতো পৰিব পাৰে।

ঃ অ হ'ব দিয়া।

ঃ অ ৰাখিছো। এইবুলি দীপক শুই পৰিল।

ৰাতিপুৱা ৭ মান বজাতেই মানুহজন দীপকহঁতৰ ঘৰ ওলালহি। দুয়ো লগ হৈ পাহাৰটোৰ তল পালেগৈ।

যিখিনি ঠাইত মানুহজন পৰিছিল, যিটো পুখুৰীত বোকা ধুইছিল সকলোতে তাবিজটো বহুত বিচাৰিলে, কিন্তু ক'তো নেপালে। শেষত দুয়ো গৈ বাবাজনৰ ওচৰ পালেগৈ। তাত গৈ গম পালে বাবাজন পাঁচ বজাতেই তিনিমাহৰ বাবে লক্ষীমপুৰ গ'ল। মাথো সাধুজনে ক'লে, 'আপোনালোকে এই কামটোত আৰু আগনাবাঢ়িব। কাৰণ 'বিধাতাৰ লিখন নহয় খণ্ডন' আৰু ক'লে যে আৰু বেছি আগবাঢ়িব খুজিলে মহাবিপদ হ'ব পাৰে।

কথাখিনি শুনি দীপকৰ চকু থিয় হৈ গ'... 'বিধাতাৰ লিখন নহয় খণ্ডন' এই কথাযাৰ বহুতৰ মু... শুনিছো। তাৰোপৰি দীপকে অনুভৱ কৰিলে যে অ... সুখ হৰণ কৰিব গ'লে নিজৰ বহু দুখ আহিব পাৰে। ল... লগে দীপকে তেওঁলোকৰ পৰা বিদায় লৈ ভৱিষ্যতে এ... কামত আগনাবাঢ়ো বুলি প্ৰতিজ্ঞা কৰি ঘৰমুৱা হ'ল।

প্ৰতিদিনে আমাৰ মনত, আমাৰ অন্তৰাত্মাত জমা হোৱা ধূলি-মাকতিবোৰ ধুই পেলোৱাটোৱেই হৈছে কলাৰ উদ্দেশ্য। — পাৰলো পিকাছো

✧ ★ ✧

কাৰোবাৰ হাঁহি ভৰা মুখে আমাক আনন্দ দিয়ে। কিন্তু হাঁহি ভৰা মুখৰ আঁৰটো মাথো বেদনা। মাত্ৰ সেই বেদনাক হাঁহি মুখৰ গৰাকীয়ে লুকুৱাই ৰাখিব জানে।

— শ্বেইক্স পীয়েৰ



# বলিদান

মৰমী দেৱী
স্নাতক, ২য় বৰ্ষ

হেমন্ত চলিহা এজন সৎ আৰক্ষী বিষয়া আছিল। সৎ পথেৰে যুঁজ দিবলৈ তেওঁ কেতিয়াও ভয় কৰা নাছিল। চলিহাই দেশৰ আৰু সমাজৰ বাবে কাম কৰিবলৈ পালে তেওঁ পৃথিৱীৰ সমস্ত সুখ পোৱা বুলি অনুভৱ কৰি লৈছিল, কিন্তু তেওঁ বহুত শিক্ষা লাভ কৰি এই কথাটো জনা নাছিল যে এই পৃথিৱীত যে জীয়াই থাকিবলৈ হ'লে সৎ পথেৰে নহয়, অসৎ পথেৰে চলিব লাগে। এই কথাটো চলিহাই জনা নাছিল সেয়েহে তেওঁ অকাল মৃত্যুক সাৱটি ল'ব লগা হৈছিল।

হেমন্ত চলিহাৰ সুখৰ ঘৰখন দেখি ভগৱানে যেন সুখ পোৱা নাছিল। সেয়েহে চাগে ভগৱানে এই পৃথিৱীত কিছুমান দুষ্ট প্ৰকৃতিৰ মানুহ নামৰ এচাম পশুক জন্ম দিছিল। সমাজখন তিলতিলকৈ ধ্বংস হৈ যাব বুলি ভাবি চলিহাই তাৰ প্ৰতিবাদ কৰিছিল। সেই পশুবোৰক বেয়া কৰ্মৰ পৰা আঁতৰি আহিবলৈ আৰু সৎ পথেৰে বাট বুলিবলৈ ভাবুকিৰ লগতে আহ্বান কৰিছিল। কিন্তু তেওঁৰ ভাবুকি বা আহ্বানক নিৰ্লজবোৰে কাণষাৰ নকৰিলে যাৰ ফলত দ্বিতীয়বাৰ বাধা দিবলৈ গৈ সুখৰ ঘৰখনক আৰু নিজৰ জীৱনটোক বলিদান দিছিল। চলিহাই তেওঁৰ মাতৃ, পত্নী আৰু দুই সন্তানক এৰি চিৰদিনৰ বাবে জননীৰ কোলাৰ পৰা মেলানি মাগিলে।

চলিহাৰ মৃত্যুৰ সময়ত তেওঁৰ ল'ৰাটোৰ বয়স ৭ বছৰ, ছোৱালীজনীৰ বয়স ৪ বছৰ। চলিহাৰ মৃত্যুৰ সময়ত বয়স আছিল ৫০ বছৰ। চলিহাৰ মৃত্যুৰ পিছত ঘৰখন চুৰমাৰ হৈ গ'ল। শেষত চলিহাৰ মাকে বোৱাৰীয়েকৰ লগতে নাতিনীয়েক দুটাক লৈ গাঁৱৰ ঘৰলৈ ঘূৰি আহে। চলিহাৰ পুত্ৰৰ নাম সাগৰ চলিহা আৰু তেওঁৰ কন্যাৰ নাম হ'ল নীহাৰিকা চলিহা। চলিহাৰ পত্নীয়ে জানিছিল যে আজিৰ যুগত পেঞ্চন বিচাৰি দুমাহ বছৰেক নুঘুৰিলে যে কষ্ট কৰি পোৱা ধনখিনি পোৱা নাযায় সেয়েহে চলিহাৰ পত্নীয়ে কিন্তু চৰকাৰখনক স্বামী স্বৰ্গীয় হেমন্ত চলিহাৰ নামত চৰকাৰৰ সাহায্য চৰকাৰকেই দান কৰিছিল। গাঁৱলৈ অহাৰ পিছত কিছু বছৰ ভালেৰেই পাৰ কৰিলে। লাহে লাহে সাগৰ আৰু নীহা দুয়োটা ডাঙৰ হৈ আহিল। সিহঁত দুটা ডাঙৰ হৈ অহাৰ লগে লগে সিহঁতৰ খুড়াক খুৰীয়েকৰ বাবে সিহঁত দুটা চকুৰ কুটা দাঁতৰ হুল হ'ল। সিহঁত দুটাৰ লগতে আইতাক আৰু মাককো নানা অত্যাচাৰ কৰিলে। বিশেষকৈ নীহাক তাইৰ খুড়াক আৰু খুৰীয়েকে বেছিকৈ যন্ত্ৰণা দিছিল কাৰণ নীহাৰ দৰে ধুনীয়া আৰু শিক্ষাত পাৰ্গত তেওঁলোকৰ ছোৱালী পাহি নাছিল। নীহা সঁচাকৈয়ে বৰ ধুনীয়া আছিল। তাই শিক্ষাত পাৰ্গত বাবে তাই যেন পঢ়িবলৈ নোৱাৰি তাইৰ জীৱনটো যেন ধ্বংস হৈ যায় তাৰ চেষ্টা চলাইছিল। সন্তানৰ ওপৰত কৰা অত্যাচাৰ সহিব নোৱাৰি চলিহাৰ পত্নী বিনিতাইও আত্মহত্যা কৰিলে। মাকৰ মৃত্যুৰ পিছতেই সাগৰে ঘৰ এৰি গুচি গ'ল। সাগৰ ক'লৈ গ'ল কোনেও জনা নাছিল। বহুত অনুসন্ধান কৰিও কোনো খবৰ নোপোৱাৰ ফলত আশা বাদ দিলে। নীহা আৰু সাগৰ যেনেদৰে আইতাকৰ বাবে চকুৰ মনি আঁচলৰ ধন আছিল ঠিক সেইদৰে পাহিও আছিল। সাগৰ ওলাই যোৱাৰ পিছৰ পৰা নীহা আৰু আইতাকৰ ওপৰত সিহঁতৰ অত্যাচাৰ দুগুণে বাঢ়ি গ'ল। অৱশেষত সিহঁতৰ অত্যাচাৰ সহিব নোৱাৰি সিহঁত দুয়ো আইতাক আৰু নাতিনীয়েকে ঘৰৰ পৰা কিছু দূৰত আনৰ মাটিত থাকিবলৈ ল'লে। নীহা পঢ়াত বৰ ভাল আছিল আৰু তাই বৰ আগ্ৰহী আছিল। সেয়েহে আইতাকে যিমান পাৰে কষ্ট কৰি তাইক পঢ়ুৱাবলৈ ল'লে আৰু আইতাকে তাইক পঢ়িবলৈ জোৰ দি ক'লে - মাজনী অ' তই ভালকৈ পঢ়। আমাৰ দুখৰ অন্ত পেলাবি আৰু মোৰ

কষ্টৰ ফল দিবিদেই।

নীহাই কান্দি কান্দি আইতাকক ক'লে - আইতা, ভগৱানে বাৰু আমাক কিয় ইমান কষ্ট দিছে, তাতকৈতো আমাক মাৰি লৈ গলেও হয়। কি দুখ কৰিছো আমি?

আইতাকে তাইক মৰম কৰি ক'লে - নাপায়, তেনেকৈ নক'বি, তই চিন্তা নকৰিবি, এদিন আমাৰ দুখৰ অন্ত পৰিব ভগৱানে আমাক প্ৰমাণ চাইছে বুজিছ! তই হাৰ নামানিবি মাত্ৰ।

আইতাকৰ কথা তাই হৃদয়ংগম কৰি' তাই আইতাকৰ ভৰি চুই প্ৰণাম কৰি ক'লে - আইতা তুমি মোক আৰ্শীবাদ কৰা যাতে মই যুদ্ধত জিকিবলৈ পাৰো আৰু আইতা তুমি মোক এৰি ক'লৈকো নাযাবা, নহ'লে মই অনাথ হৈ যাম অ' আইতা। আইতাকে ক'লে - ধেৎ আঁকৰি, তোক এৰি মই ক'লৈকো নাযাও, মই তোৰ বাবে সকলো ত্যাগ কৰিলো আৰু কৰিম। মোৰ আৰ্শীবাদ তোৰ লগত সদায় আছে আৰু থাকিব। তই জিকিবি।

আইতাকৰ সহায়, সহযোগিতা, কষ্ট আৰু তাইৰ অধ্যয়ন আৰু কষ্টৰ ফলত তাই মেট্ৰিক পৰীক্ষাত ফাষ্ট ডিভিজন লৈ পাচ কৰিলে। পি. ইউ. পাছ কৰিলে 1st Division Education অত Letter লৈ। এইখিনি আইতাকে কৰালে যেনেতেনে কৰি। তাইৰ B.A. Complete কৰিবলৈ বৰ ইচ্ছা থাকিল। নীহাই আইতাকক ক'ব নোৱাৰিলে কাৰণ তাই জানিছিল যে বি.এ. পঢ়িবলৈ বহুত টকা লাগে আৰু ইমান টকা সিহঁতৰ নাছিল। সেয়েহে আইতাকে সোধাত তাই নপঢ়ো বুলি ক'লে। আইতাকে তাইৰ মনৰ অৱস্থা বুজি পাই তাইক পঢ়িবলৈ জোৰ কৰিলে। নীহাই আইতাকৰ কথা শুনি ক'লে - আইতা তুমি যে মোক ইমান জোৰ কৰিছা তুমি জানানে বি.এ. পঢ়িবলৈ কিমান টকা লাগে?

আইতাকে তাইক প্ৰশ্নৰ উত্তৰ দিলে - ও জানো আৰু জানিও পুৰাব ওলাইছো। মই টকা ক'ত কেনেকৈ লাভ কৰিম সেইটো তোৰ জনাৰ প্ৰয়োজন নাই। মই যি কৈছো তই তাকে মান আৰু যদি তই মোৰ কথা নামান, তেন্তে তই মনত ৰাখ মই কি কৰিব পাৰো।

আইতাকৰ কথা শুনি তাই বিপাঙত পৰিল যদিও

তাই আইতাকৰ কথা ৰাখিলে। তাই পঢ়িবলৈ সৈমান
নীহাৰ আইতাকে তাইক পঢ়োৱাৰ বাবে ভিক্ষা কৰিব
যেতিয়া আইতাকে ভিক্ষা কৰি বহু দূৰ-দূৰণীলৈ
তেতিয়া গৈ থাকোতে এদিন আইতাকে এজন চিকিৎ
লগত কথা পাতি নিজৰ পৰিচয় দি ক'লে। তেওঁ
চলিহাৰ মাক বুলি কোৱাৰ পাছত চিকিৎসকজনে
পাগল বুলি ভেঙুচালি কৰিছিল কিন্তু চলিহাৰ মাকৰ
অতি সাহসেৰে সাঁচি থৈ দিয়া সিহঁতৰ সম্পূৰ্ণ পৰিয়াল
ফটো কপি দেখি তেওঁ আচৰিত হ'ল আৰু সুধিলে
আপুনি মোৰ ওচৰলৈ কিয় আহিলনো?

নীহাৰ আইতাকে ক'লে - বোপাই মই বুঢ়ী
মই ডাঙৰ বিপদত পৰিছো আৰু তাৰ পৰা পৰিত্ৰাণ
বিচাৰো। তুমি মোক সহায় কৰি মোক বচোৱা। মই
চকুযোৰ বিক্ৰী কৰিব ওলাইছো, তুমি নিৰাশ নক
চলিহাৰ মাকৰ কাতৰ অনুৰোধ শুনি চিকিৎসকজনে
কৰিব বুলি কথা দি তেওঁৰ চকুযোৰৰ বিনিময়ত ৫০
টকা দিলে। নীহাৰ আইতাকে তাইক সেই টকাৰে
পাচ কৰাই কম্পিউটাৰ পঢ়াই থকাৰ অৱস্থাতে তাই
ছাত্ৰী হোৱাৰ বাবে আৰু সকলো পিনৰ পৰাই পাৰ্গত
বাবে তাইক বিদেশলৈ লৈ গ'ল। কম্পিউটাৰ কাম
তাই চাকৰিৰ বাবে যোগাযোগ কৰিলে। তাই ভা
আছিল যে তাই সেই চাকৰিটোৰ বাবে উপযুক্ত আ
নীহাই চাকৰি পোৱাৰ আগমুহূৰ্তলৈ আইতাকৰ
খবৰ লৈ আছিল কাৰণ তেতিয়ালৈকে তাইৰ আই
প্ৰয়োজন আছিল। চাকৰি পাই তাই আইতাকৰ খবৰ
বাদ দিলে। ৫ বছৰৰ পাছত নীহা নিজৰ গাঁৱলৈ ঘূৰি
আইতাকৰ খবৰ লোৱাত গাঁৱৰ মানুহবোৰে আই
মৃত্যু হোৱা বুলি ক'লে আৰু নানাজনে নানা ধৰণে
তিৰস্কাৰ কৰিলে।

আকাশঃ অই নীহা তোৰ দৰে ছোৱালী
পৃথিৱীত জীয়াই নথকাই ভাল। বুজিছ! কি কৰা না
তোৰ বাবে সেই বুঢ়ীয়ে?

নিবিৰঃ নহয় অ' এই এই সৰুতে মৰিব লাগি
ভগৱানে জানো এইক কিয় মাৰি নিনিলে।

এইবাৰ গাঁওবুঢ়াই মাত লগালেঃ আই বয়





এইবোৰ সন্তানক তুমি কিয় জন্ম দিছিলা, যিয়ে মানুহৰ মমতা নুবুজে। এই পাপিনী তোক পঢ়াবৰ বাবে আইতাৰে সকলো বলিদান দিছিল লাজ, সন্মান, পুত্ৰ-বোৱাৰী, ধন-সম্পত্তি, অৱশেষত নিজৰ চকুযুৰিও বিক্ৰী কৰিলে মাত্ৰ তোৰ বাবে। তই ইয়াৰ পৰা এতিয়াই ওলাই যা আৰু কোনো দিন এই গাঁৱলৈ উভতি নাহিবি। তোৰ আইতাৰৰ বাবে আমি সকলো আছো। তোৰ দৰে ব্যাভিচাৰী নাৰীৰ প্ৰয়োজন নাই। তই দেশপ্ৰেমীক হেমন্তৰ সন্তান নহয়। যি হেমন্তই দেশৰ বাবে দহৰ বাবে নিজকে বলিদান দিছিল, যি হেমন্তৰ মাকে তোৰ দৰে এজনী পাপিনীৰ বাবে নিজকে বলিদান দিছিল। তই আৰু এক মুহূৰ্তও ইয়াত নাথাকিবি আঁতৰি যা। গাওঁবুঢ়াৰ কথা শুনি তাই তাৰ পৰা আঁতৰি গুচি আহিল। অৱশেষত তাই পথ হেৰুৱাই পাগলি হৈ নিজকে জীৱন্তে বিসৰ্জন দিলে। ■

জ্ঞান আহৰণ আৰু ভগৱানক ভালপোৱা একেই কথা। প্ৰকৃত জ্ঞান আৰু প্ৰকৃত ভালপোৱা ভাৱৰ মাজত কোনো পাৰ্থক্য নাই।

— ৰামকৃষ্ণ পৰমহংস।

✧ ★ ✧

আমি চৰাইৰ দৰে উৰিবলৈ শিকিছোঁ, মাছৰ দৰে সাতুৰিবলৈ শিকিছো কিন্তু পৃথিৱীত ভ্ৰাতৃৰ দৰে বাস কৰিবলৈ শিকা নাই।

— মাৰ্টিন লুথাৰ।

# নেতৃত্ব

দিলীপ শইকীয়া
জ্যেষ্ঠ কাৰ্যালয় সহায়ক

জনসংখ্যাৰে পৰিপূৰ্ণ এখন গাৱৰ কাহিনী এটা ক'ব বিচাৰিছো য'ত শিক্ষাৰ হাৰৰ সংখ্যা নিচেই তাকৰ। দুই এজনে মেট্ৰিক পাছ কৰা, আন দুই চাৰিজনে আকৌ বি.এ পাচ নকৰাও নহয়। গাওঁখনৰ চাৰিওদিশ গছ-গছনি, হাবি-বননিয়ে আগুৰি আছে। তেওঁলোকৰ সন্তানসমূহক শিক্ষাৰ পোহৰ বিলাবলৈ এখন প্ৰাথমিক বিদ্যালয় নথকা নহয়। বাসিন্দাসকল কৃষিজীৱী হোৱা বাবে শিক্ষা দীক্ষাৰ প্ৰতি অমনোযোগী। তেওঁলোকৰ এটাই লক্ষ্য যিকোনো প্ৰকাৰে কৃষি কাৰ্য্য কৰি পেট প্ৰবৰ্তাব লাগে। আনফালে যি কেইজন বুদ্ধিমানে কষ্ট কৰি কিছু শিক্ষাগত অৰ্হতা অৰ্জন কৰিছে, সেইকেইজনৰ দন্তালিত ৰাইজ থৰহৰি কম্পমান

গাওঁখনৰ চৌদিশ হাবি জংঘলেৰে ভৰি থকা বাবে বান্দৰৰ উৎপাত বহুত বেছি। বাৰীত থকা শাক-পাচলি, খেতি পথাৰৰ শস্য নষ্ট কৰি খেতিয়কসকলক হাৰা-শাস্তি কৰি থাকে। বহুচেষ্টা কৰিও বান্দৰবোৰ তাৰ পৰা খেদি পঠাব পৰা নাই। এনেতে প্ৰাথমিক বিদ্যালয়খনৰ প্ৰধান শিক্ষকজন বাৰ্ধক্যজনিত কাৰণত মৃত্যু মুখত পৰিল। শিক্ষিত যুৱক কেইজনৰ চকু পৰিল সেই প্ৰধান শিক্ষকৰ পদটিৰ ওপৰত। ৰাইজে আলোচনাত বহিল। কিন্তু সুস্থিৰ সিদ্ধান্তত উপনীত হ'ব নোৱাৰিলে। কাক সেই পদত অধিষ্ঠিত কৰিব। প্ৰতিজন শিক্ষিত যুৱকৰ পক্ষত সুকীয়া সুকীয়া ফৈদ গঠন হ'ল। কাকো কোনেও মনাব নোৱাৰা পৰিস্থিতিৰ উদ্ভৱ হ'ল।

শিক্ষিত যুৱকসকলৰ ভিতৰৰে এজন বৰ চতুৰ আছিল। তেওঁ এদিন গাঁৱৰ ৰাইজক গোট খোৱাই এখন সভা পাতিলে। সভাৰ উদ্দেশ্য আছিল — "আমাৰ গাঁওখন বৰ পিছ পৰা। যাতায়তৰ কোনো যোগাযোগ নাই। ৰোগীৰ চিকিৎসাৰ বাবে চিকিৎসালয়ৰ অভাব। সন্তান-সন্ততিবো শিক্ষা ল'বলৈ শিক্ষানুষ্ঠান নাই। বান্দৰৰ উৎপাত খেতিয়কসকলে শস্য চপাব নোৱাৰে। ঘৰৰ লাও, জিক অমিতা আদি খাই তহিলং কৰে। সেয়ে ৰাইজ আম সমষ্টিৰ মন্ত্ৰী মহোদয়ক ইয়ালৈ আমন্ত্ৰণ জনাওঁ আৰু আম অভাৱ-অভিযোগবোৰ অৱগত কৰিলে কিজানি বা ফ দিয়েই।" তেওঁৰ মন্তব্যত সকলোৱে একমুখে সমৰ্থ জনালে। মন্ত্ৰী মহোদয়ক আমন্ত্ৰণ জনোৱাৰ দায়িত্ব অৰ্প কৰিলে ভক্ত ল'ৰাজনৰ ওপৰত। কথা মতে কাম। শিক্ষি যুৱক কেইজনেও দেহে-কেহে লাগি থাকিল। জানো মন্ত্ৰী মহোদয়ক খাটি খুটি নিজাববীয়াকৈ আবেদন ক প্ৰধান শিক্ষকৰ পদটি দখল কৰিব পাৰে। এই আশ সকলোৱে অন্তৰত পুহি ৰাখিলে।

মন্ত্ৰী অহাৰ তাৰিখ হ'ল। সভাত হ'ব লগা সমুদা খৰচ গাঁৱৰ ৰাইজে অংশ ভগাই ললে। শিক্ষিত যুৱ কেইজনে লগলাগি গাঁৱৰ সমস্যাৰাজিৰ ওপৰত এক স্মাৰক পত্ৰ প্ৰস্তুত কৰিলে। চতুৰ যুৱকজনে এটা বুদ্ধি পাঙিলে। বান্দৰ হৈছে এটা আমাৰ আপুৰুগীয়া সম্পদ তাৰোপৰি বান্দৰ চৰকাৰী তালিকাত অন্তৰ্ভুক্ত জীৱসমূহ ভিতৰত অন্যতম। সেয়ে বান্দৰ খেদা বিষয়টো বাদ দি বাকী সমস্যাৰ ওপৰত স্মাৰক পত্ৰ প্ৰস্তুত কৰিব লাগে আৰু বান্দৰ খেদিবৰ বাবে এখন সুকীয়া আবেদন কৰা উচিত ৰাইজেও কথাটো তং কৰিলে। হয়তো কথাটো সঁচাই সেয়ে বান্দৰ খেদা আবেদনখন সুকীয়াকৈ লিখি ৰাইজে সৌৰে-বাৰে পাতত ঠাই নোহোৱাকৈ চহী কৰিলে।

চতুৰ যুৱকজনৰ নেতৃত্বতে যেতিয়া মন্ত্ৰী মহোদয় এই গাঁৱত প্ৰবেশ ঘটিব সেয়ে সমস্ত আবেদন, অভিযো পত্ৰ তেওঁৰ হাতত জমা হ'ল। বুধিয়ক যুৱকজনে ছাৰক কাণে কাণে এটা মন্ত্ৰণা দিলে যে ৰাজহুৱা আবেদনৰ বাহিৰে বাকী ব্যক্তিগত আবেদন গ্ৰহণ কৰা নহ'ব। যদি কাৰোবাৰ ব্যক্তিগত অভাৱ-অভিযোগ আছে তেন্তে তেওঁলোকে তেওঁক ৰাজধানীতহে লগ ধৰিব লাগিব। মন্ত্ৰী মহোদয়েও তেওঁৰ অনুৰোধ ৰক্ষা কৰি সভাত ভাষণ ৰাখিলে। আজিৰ সভাত এখন স্মাৰক পত্ৰ আৰু এখন ৰাজহুৱা আবেদন গ্ৰহণ কৰিলে আৰু দুয়োখনৰে বিষয়বস্তুসমূহ কাৰ্যকৰী হোৱাকৈ বিভাগীয় কৰ্তৃপক্ষক অনুমোদনৰ বাবে প্ৰেৰণ কৰা হ'ল।

আনফালে চতুৰ যুৱকজনে বান্দৰ খেদা আবেদনৰ পাতটো ফালি গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ পদটিত যুৱকজনক নিযুক্তি দিব লাগে বুলি লিখি সৌৰে-বাৰে চহী কৰা পৃষ্ঠা কেইটাত গাঁঠি দি মন্ত্ৰী মহোদয়ৰ পৰা লিখাই ল'লে। সভা শেষ পিছদিনাৰ পৰাই শিক্ষিত যুৱকসকলৰ দিশপুৰ যাত্ৰা। ইজনে সিজনক ৰাজধানীত লগ পালে কোনেও সঁচা কথা নকয়। এনেকৈ বহুত ধন অপচয় কৰিলে কিন্তু কোনেও আশাৰ ৰেঙনি দেখা নাপালে।

দহ দিনমানৰ পিছত ডাকোৱালজনে চতুৰ যুৱকজনৰ হাতত এটা লেফাফা তুলি দিলে। সকলোৱে মনত আনন্দ মন্ত্ৰী মহোদয়ে নিশ্চয় আমাৰ গাঁওখনৰ কাৰণে শুভ সংবাদ পঠিয়াই দিছে। লেফাফা খুলি দেখে যে সেইখন কোনো গাঁও উন্নয়ন আঁচনি পত্ৰ নহয়। সেইখন আছিল এখন শিক্ষক নিযুক্তিৰ পত্ৰ।

এই কাহিনীৰ পৰা এটা কথাই অনুমান কৰিব পাৰি যে বৰ্তমান সমাজত এচাম চতুৰ আৰু বুধিয়ক ব্যক্তিৰ কবলত পৰি নিৰীহ জনসাধাৰণে জীয়াতু ভোগ কৰি আছে। সামাজিক দায়বদ্ধতা নথকা ব্যক্তিকেন্দ্ৰীক মনোভাবাপন্ন ব্যক্তিক নেতা হিচাপে মানি চলিলে সমাজৰ বিস্তৰ ক্ষতিসাধন হোৱাৰ আশংকা অধিক। ■

যিসকলে মানুহক অন্যায় কৰে, তেওঁলোকে নিজে বেছি কষ্ট ভোগ কৰিব লাগে। — প্লেটো

✧ ★ ✧

জীৱনত কেতিয়াও পৰাজিত নোহোৱাটো গৌৰৱ নহয়, গৌৰৱ হ'ল কোনো পৰাজয়তে হাৰ নামানি আগবাঢ়ি যোৱা। — জৱাহৰলাল নেহৰু

✧ ★ ✧

নিজক জ্ঞানী বুলি ভবাজনেই হ'ল আটাইতকৈ মূৰ্খ। — ভল্টেয়াৰ

সাধুকথা

# ডিমাকোঁৱৰ আৰু নিমাকোঁৱৰ

শ্ৰীকুইন বৰ
প্ৰাক্তন ছাত্ৰ

এখন ৰাজ্যত এজন মহাৰাজ আছিল। তেওঁৰ ৰাণী আছিল তিনিগৰাকী। ডাঙৰ দুগৰাকী আছিল আন ৰাজ্যৰ ৰজাৰ জীয়ৰী আৰু সৰুগৰাকী আছিল দুখীয়া ঘৰৰ জীয়ৰী। সেয়েহে ডাঙৰ আৰু মাজু ৰাণীয়ে সৰু ৰাণীক ভাল নাপাইছিল।

কেইবছৰমানৰ পিছত তিনিওগৰাকী ৰাণী গৰ্ভৱতী হয়। মহাৰাজে এদিন তিনিগৰাকী ৰাণীৰে হ'বলগীয়া সন্তানৰ বিষয়ে জানিবলৈ এজন গণকক মাতিলে। পিছে গণকক আগতীয়াকৈ ডাঙৰ ৰাণী আৰু মাজু ৰাণীয়ে ধনৰ লোভ দেখুৱাই সৰু ৰাণীগৰাকীৰ বিষয়ে অশুভ কথা ক'বলৈ ক'লে। কথা মতেই কাম। ধনৰ লোভত গণকেও ৰজাই সৰু ৰাণীক বেয়া পোৱাকৈ কিছুমান অশুভ মন্তব্য দিয়ে। ৰজাৰ এই কথাবোৰ শুনি খং উঠে আৰু ৰাণীগৰাকীক নিজ কোঠাৰ পৰা উলিয়াই লগুৱা-লিগিৰীসকলৰ বাবে নিৰ্মিত কোঠাত বাস কৰিবলৈ আদেশ দিয়ে। ৰাণীয়েও মহাৰাজৰ আজ্ঞা শিৰোধাৰ্য কৰি লয়।

এনেদৰে কেইবা মাহো পাৰ হ'ল। ডাঙৰ আৰু মাজু দুয়োগৰাকী ৰাণীৰ দুটি পুত্ৰ সন্তান জন্ম হয় আৰু সৰুগৰাকীৰ দুটা কণীৰ জন্ম হয়। ৰাজ্যৰ সকলো প্ৰজাৰ লগতে ৰজায়ো এই কথা শুনি আচৰিত হয় আৰু সেই সুযোগতেই গণকজনে মহাৰাজক কয় যে, 'এই কুলক্ষণী ৰাণীয়ে যি দুটা কণীৰ জন্ম দিছে সেই দুটাৰ পৰা পিশাচৰ বাহিৰে আন একোৱেই ওলাব নোৱাৰে। গণকৰ কথা মহাৰাজেও বিশ্বাস কৰি লয় আৰু ৰাণীগৰাকীক ৰাজমহলৰ পৰা বাহিৰ কৰি দিয়ে। ৰাজকাৰেঙত লাহ-বিলাহত জীৱন কটোৱা ৰাণীগৰাকীয়ে এতিয়া ৰাজ্যৰ সাধাৰণ প্ৰজাৰ দৰে এটি সৰু পজাঘৰত বাস কৰিবলগীয়া হৈছে।

ৰাণীগৰাকীক যেতিয়া মহাৰাজেও চোৱা-চিত নকৰা হ'ল, তেতিয়া তাই নিজৰ পেট প্ৰৱৰ্তাবলৈ পাহাৰলৈ যায় আৰু তাৰ পৰা খৰি কাটি আনি সেইবোৰ বিক্ৰী কৰে। এইদৰে দহ মাহ দহ দিন পাৰ হ'লত আনদিনৰ দৰে সেইদিনাও তাই পুৱাই কেইটামান ভাত ৰান্ধিলে। তাৰে কেইটামান খাই কেইটামান ৰাতিলৈ বুলি থৈ পাহাৰলৈ গ'ল। পাহাৰৰ পৰা উভতি আহি যেতিয়া তাই ভাতকেইটা খাবলৈ লয় তেতিয়া তাই ভাতকেইটা গৰম হৈ থকা যেন অনুভৱ হ'ল। তাই ভাবিলে পুৱাই ৰন্ধা ভাতকেইটা এতিয়ালৈ গৰম হৈ থকাটো সম্ভৱ নহয়, ইয়াৰ আঁৰত নিশ্চয় বিবা ৰহস্য আছে। কিন্তু সেই ৰহস্যটো কি তাইৰ জানিবলৈ ইচ্ছা হ'ল। আনদিনৰ দৰে সেই দিনাও তাই পুৱাই কেইটামান ভাত ৰান্ধি কেইটামান খাই তাৰে কেইটামান নিশালৈ বুলি থৈ হাতত দাখন লৈ পাহাৰলৈ বুলি ওলাই আৰু চুবুৰীয়াক মাত লগায় যে আজি হয়তো মোৰ ঘৰলৈ আহোতে পলম হ'ব পাৰে মোৰ ঘৰৰ ফালে অলপ লক্ষ কৰিবা। এইদৰে মাত লগায় দুৱাৰখন জপাই আৰু দুৱাৰ চুকতে কোনেও নেদেখাকৈ লুকাই থাকে। এনেতে তাই দেখিবলৈ পালে যে তাই জন্ম দিয়া সেই কণী দুটাৰ পৰা দুজন ধুনীয়া ল'ৰা ওলাই আৰু দুয়ো মাকে ৰান্ধি থোৱা ভাতকেইটা খায় আৰু মাকলৈ বুলি পুনৰ ভাত ৰান্ধি থয়। মাকে সেইবোৰ দেখি আচৰিত হয় আৰু দুয়ো পুনৰ কণী দুটাৰ ভিতৰত সোমাবলৈ ধৰোতেই দুয়োকো মাকে হাতত থাপ মাৰি ধৰে। তেতিয়া ল'ৰা দুজনে মাকক কয় যে, 'মা তুমি আমাক স্পৰ্শ কৰি ভুল কৰিলা আৰু কেইদিনমান অপেক্ষা কৰা হ'লে দুয়ো অমৰ হৈ জীৱন লাভ কৰিলোহেঁতেন কিন্তু এতিয়া আমি সাধাৰণ মানুহৰ দৰে হম।' সিহঁতৰ কথা শুনি মাকে কয় যে, 'এদিন হ'লেও মৃত্যু হয়।' দুয়োৰে নামকৰণৰ কাৰণে মাকে ৰাজ্যৰ গণক জনকক মাতিবলৈ যাব ওলোৱাত দুয়োজনে মাকক বাধা দি ক'লে যে যিজন গণকৰ কাৰণে মাকে ইমান কষ্ট পাবলগীয়া হ'ল সেইজন গণকৰ কোনো প্ৰয়োজন নাই। তেওঁলোকে নিজে নিজৰ নামকৰণ কৰিব। ডাঙৰজন ডিমা কোঁৱৰ আৰু সৰুজন নিমা কোঁৱৰ নামেৰে নামকৰণ কৰা হ'ল।

এনেদৰে কেইবাদিনো পাৰ হ'ল। এদিন হঠাৎ ৰজাই ডিমা কোঁৱৰ আৰু নিমা কোঁৱৰক দেখি আচৰিত হ'ল। তেওঁ অনুসন্ধান কৰি গম পালে যে সেই ধুনীয়া ল'ৰা দুজন হৈছে তেওঁৰ তৃতীয়গৰাকী ৰাণীয়ে জন্ম দিয়া কণী দুটাৰ পৰা ওলোৱা ৰাজকুমাৰ দুজন। ৰজাই কোঁৱৰ দুজনৰ সৌন্দৰ্যত আকৰ্ষিত হ'বলৈ ধৰে আৰু এদিন তেওঁ নিজেই দুয়োজন কোঁৱৰকে পিতৃ পৰিচয় দিয়ে।

আন এদিনৰ কথা। নিশা মহাৰাজে এটা সপোন দেখিলে। সপোনত তেওঁ ৰূপৰ ভেটি, সোণৰ গছ, হীৰাৰ পাত, মুকুতাৰ গুটি আৰু তাতে পৰি নাচে ম'ৰা চৰাই দুটি চালি ধৰি। পিছদিনা পুৱা মহাৰাজে তেওঁৰ প্ৰথম আৰু দ্বিতীয় পুত্ৰক বহুৱাই ক'লে যে তেওঁ সপোনত যিকেইটা বস্তু দেখিছিল সেইকেইটা বস্তুৰে তেওঁ যজ্ঞ কৰিবলৈ মন মেলিছে। সেয়েহে তেওঁ দুয়োজন কোঁৱৰকে সেই বস্তু কেইপদ আনিবলৈ আদেশ দিলে। দুয়ো পিতৃৰ আদেশ মতে ঘোঁৰাশালৰ পৰা ঘোঁৰা উলিয়াই যাত্ৰা আৰম্ভ কৰে। মহাৰাজৰ সপোনৰ কথাটো তেওঁৰ তৃতীয় আৰু চতুৰ্থ পুত্ৰ অৰ্থাৎ ডিমা কোঁৱৰ আৰু নিমা কোঁৱৰে গম পায় সিহঁতেও মহাৰাজৰ কাৰণে সেই বস্তু কেইপদ আনিবলৈ মাকৰ পৰা অনুমতি বিচাৰিলে। মাকে দুয়োকে অনুমতি দিয়াৰ পিছত দুয়ো গৈ মহাৰাজৰ পৰাও অনুমতি বিচাৰিলে। প্ৰথমতে মহাৰাজে দুয়ো সৰু ল'ৰা বুলি অনুমতি দিয়া নাছিল কিন্তু দুয়োৰে উৎসাহ দেখি পিছত অনুমতি দিয়ে। ডিমা কোঁৱৰ আৰু নিমা কোঁৱৰে জানিছিল যে মহাৰাজে সপোনত দেখা বস্তু কেইপদ পাতালৰ বাহিৰে এই পৃথিৱীত নাই আৰু তালৈ সিহঁত দুয়োৰে বাহিৰে আন কোনো যাব নোৱাৰে। দুয়ো অনুমতি পাই ঘোঁৰাশালত গৈ পছন্দৰ ঘোঁৰা বিচাৰি থকা অৱস্থাতে তাৰ মাজৰে এটা লেঙেৰা ঘোঁৰাই ক'লে যে তোমালোকে মোক লৈ যোৱা। তোমালোকৰ লক্ষ্য স্থানৰ বিষয়ে মই জানো। মোৰ আগ ঠেং এখনত এডাল হুল সোমাই আছে, সেই হুলডাল যদি উলিয়াই দিয়া তেতিয়া হ'লে মই তোমালোকক উৰুৱাই লৈ যাব পাৰিম। কিন্তু লক্ষ্য স্থান পোৱাৰ পিছত মোৰ ঠেংখনত পুনৰ হুলডাল সুমুৱাই থব লাগিব। মই পক্ষীৰাজ ঘোঁৰা। ঘোঁৰাটোৰ কথা শুনি দুয়ো সেই ঘোঁৰাটোকে লৈ ওলাই যোৱা দেখি মহাৰাজে ক'লে যে ইমানবোৰ ঘোঁৰাৰ ভিতৰত তোমালোকে এই ঘোঁৰাটোহে পালানে? উত্তৰত তেওঁলোকে ক'লে যে দেউতা ইয়োটো এটা ঘোঁৰাই। ডিমা কোঁৱৰ আৰু নিমা কোঁৱৰৰ এটা আচৰিত গুণ আছিল যে সিহঁতে পশু-পক্ষীৰ ভাষা বুজি পায়। পক্ষীৰাজে ডিমা কোঁৱৰ আৰু নিমা কোঁৱৰক পিঠিত লৈ লক্ষ্য স্থানলৈ বুলি যাত্ৰা কৰিলে। কিছু সময়ৰ পিছত পক্ষীৰাজে দুয়ো কোঁৱৰকে এজোপা বৃহৎ গছৰ তলত নমাই দিলে আৰু ক'লে যে তেওঁলোকে অলপ অপেক্ষা কৰিলেই পাতাললৈ যোৱা পথটো বিচাৰি পাবা। দুয়ো গছজোপাৰ তলতে অলপ জিৰণি ল'বলৈ বুলি বহি থাকোতেই দেখিলে যে গছ জোপাৰ ওপৰত দুটি পক্ষীয়ে সিহঁত দুয়োৰে বিষয়ে কথা পাতি আছে। মাইকীজনীয়ে মতাটোক সুধিছে যে এই ধুনীয়া ল'ৰা দুজন ইয়াত এনেকৈ বৈ আছে কিয়? মতাটোৱে ক'লে যে এই দুজন হৈছে ৰাজকোঁৱৰ। দুয়ো পিতাকে সপোনত দেখা বস্তু কেইপদ বিচাৰি আহিছে। তেওঁলোকে জানে যে সেই বস্তু কেইপদ কেৱল পাতালৰ তলতহে পোৱা যাব। তেতিয়া আকৌ মাইকীজনীয়ে প্ৰশ্ন কৰিলে যে সিহঁতে পাতাললৈ কেনেকৈ যাব? উত্তৰত মতাটোৱে ক'লে আমি উঠি থকা এই বৃহৎ গছজোপাৰ তলতেই পাতাললৈ যোৱা পথটো আছে। এই দুয়োজন কোঁৱৰৰ ভিতৰত এজনে এই গছজোপাৰ গুৰিত এটা গোৰ মাৰিলেই গছজোপা বাগৰি পৰিব আৰু পাতাললৈ যোৱা পথটো ওলাই পৰিব। কিন্তু ইহঁত দুয়োজনৰ বাহিৰে আন কোনোৰে বাবে এই কাম সম্ভৱ নহয়। ডিমা কোঁৱৰ আৰু নিমা কোঁৱৰে এই দুই পক্ষীৰ আলাপ-আলোচনা শুনি আছিল। ঠিক সেই সময়তেই ডাঙৰ কোঁৱৰ আৰু মাজু কোঁৱৰো সেই ঠাইত

আহি উপস্থিত হয়। ডাঙৰ আৰু মাজু কোঁৱৰে ডিমা কোঁৱৰ আৰু নিমা কোঁৱৰক দেখি আচৰিত হৈ সুধিলে তোমালোক ইয়াত কেনেকৈ আৰু আমাতকৈ আগতে কেনেকৈ পালাহি? কোন পথেৰে আহিলা? দুয়ো উত্তৰ দিলে পোন পথেৰে আহিলো দাদা। ডিমা কোঁৱৰে ডাঙৰ কোঁৱৰক ক'লে যে, দাদা দেউতাই সপোনত দেখা বস্তু কেইপদ পাতালতহে পোৱা যাব আৰু পাতাললৈ যোৱা পথ কেৱল এই বৃহৎ গছজোপাৰ তলতহে আছে আৰু তাৰ বাবে এই গছজোপা বগৰাব লাগিব। তুমি গোৰ মাৰি গছজোপা বগৰাই দিয়া। ডিমা কোঁৱৰৰ কথা শুনি ডাঙৰ কোঁৱৰে ক'লে ইমান বৃহৎ গছজোপা মই গোৰ মাৰি কেনেকৈ বগৰাও? তেতিয়া ডিমা কোঁৱৰে নিমা কোঁৱৰক গছজোপা বগৰাবলৈ আদেশ দিলে। ভাতৃৰ আদেশ পাই নিমা কোঁৱৰে গছজোপা গোৰ মাৰি বগৰাই দিলে। তাকে দেখি ডাঙৰ আৰু মাজু কোঁৱৰ আচৰিত হ'ল। গছজোপা বাগৰি যোৱাৰ পিছত গছৰ গুৰিটোত আটায়ে এটা অন্ধকাৰ সুৰংগ দেখিবলৈ পালে। লগে লগে ডাঙৰ আৰু মাজু কোঁৱৰ ভয়তে পিছুৱাই আহিল। ডিমা কোঁৱৰে ক'লে যে ভিতৰলৈ বাৰু ময়ে যাওঁ। তোমালোকে কেৱল খেৰবোৰ কাটি কাটি এডাল ৰচী পকাই থাবা। মই যেতিয়া পাতাল পাম ৰচীডাল জোকাৰি দিম আকৌ যেতিয়া ওপৰলৈ উঠিব লাগিব পুনৰ ৰচীডাল জোকাৰি দিম তেতিয়া উঠিব লাগিব পুনৰ ৰচীডাল জোকাৰি দিম তেতিয়া তোমালোকে সেইডাল ওপৰলৈ টানিবা। এনেদৰে খেৰেৰে পকোৱা ৰচীডালেৰে গৈ ডিমা কোঁৱৰ পাতালত উপস্থিত হ'ল। উপস্থিত হৈয়েই কোঁৱৰে এজনী ধুনীয়া গাভৰুৱে তাত থকা দেখিবলৈ পায়। কোঁৱৰে তাইৰ ওচৰলৈ যোৱাৰ লগে লগে তাই আচৰিত হৈ ক'লে 'ওহ মনিচ মনিচ গোন্ধাইছে।' তেতিয়া ডিমা কোঁৱৰে মাত লগালে ময়ে মনিচ। গাভৰুজনীয়ে পুনৰ ক'লে তুমি ইয়ালৈ কিয় আহিছা? যি পথেৰে আহিছিল সেই পথেৰেই উলটি যোৱা। যদি নোযোৱা ইয়াত থকা দৈত্য তিনিজনে তোমাক বধ কৰিব। তেতিয়া কোঁৱৰে নম্ৰভাৱে সুধিলে পিছে তুমি কোন? গাভৰুজনীয়ে উত্তৰ দিলে মোৰ নাম ৰূপালী মই দৈত্য ৰখীয়া। মই দৈত্যক চোৱা-চিতা কৰাৰ লগতে দৈত্যৰ ঘৰখনৰো কাম-কাজ

কৰো। তাইও কোঁৱৰক সুধিলে তুমিনো কোন আৰু ইয়াট কিয় আহিছা? তেতিয়া কোঁৱৰে নিজৰ পৰিচয় দি সকলে কথা বিবৰি ক'লে। কোঁৱৰৰ কথা শুনি তাইৰ কোঁৱৰ সহায় কৰিবলৈ মন গ'ল আৰু তাই কোঁৱৰক ক'লে মই তোমাক ৰূপৰ ভেটিটো দি সহায় কৰিব পাৰো পিছ বাকীকেইবিধ বস্তুৰ কাৰণে তুমি মোৰ এজনী সখী আ তাইৰ ওচৰলৈ যাব লাগিব। কিন্তু তায়ো জন দৈত্য ৰখীয়া। ৰূপালীৰ কথা মতে কোঁৱৰে গৈ ৰূপালী সখীয়েকৰ ওচৰ পালেগৈ। তাইৰ নাম হ'ল সোণালী সোণালীয়েও কোঁৱৰক সোণৰ গছজোপা দি সহায় কৰা কথা দিলে। বাকী কেইপদ বস্তুৰ কাৰণে সোণালীয়ে তাই আন এজনী সখীয়ে আৰু সখীয়েকৰ ভনীয়েকৰ ওচৰট পঠাই দিলে। এজনীৰ নাম আছিল হীৰা আৰু আনজনী নাম আছিল মুকুতা। দুয়ো এজন দৈত্যৰ ৰখীয়া আছিল সোণালীৰ কথা মতে কোঁৱৰ গৈ হীৰা আৰু মুকুতাৰ ওচ পালেগৈ আৰু দুয়োজনীয়ে কোঁৱৰক সহায় কৰা প্ৰতিশ্ৰুতি দিলে। ম'ৰা চৰাই দুটিও কোঁৱৰে হীৰা আৰু মুকুতাৰ তাতেই পায়। ৰূপালীয়ে ভেটিটো দিয়াৰ উপৰি এটা বাঁহী আৰু সোণালীয়ে গছজোপা দিয়াৰ উপৰি এডাল এচাৰি দিয়ে। ৰূপালীহঁতে কোঁৱৰক কয় যে এ বস্তুবোৰ তুমি মৰ্ত্যলৈ নিবলৈ হ'লে ইয়াত থকা দৈ তিনিজনক বধ কৰিব লাগিব, নহ'লে সিহঁতে তোমা এইবোৰ বস্তু পাতালৰ পৰা নিবলৈ নিদিব। কোঁৱৰে এ কথা শুনি ৰূপালীহঁতক সুধিলে যে দৈত্যকেইজনক ব কৰাৰ কিবা উপায় আছে নেকি আৰু যদি আছে সেইট কি? ৰূপালীহঁতে তেতিয়া কোঁৱৰক ক'লে যে তিনিও দৈত্যৰে জীৱকেইটা তিনিটা পাৰ চৰাইৰ দেহত আছে আৰ সেইকেইটা এটা মলা-চৰুৰে ঢাকি থোৱা আছে। যদি তুমি তিনিওটা পাৰ চৰাইকে একে ঘাপতে ডিঙি কেইটা কাটি পাৰা তেতিয়া হ'লে তিনিওটা দৈত্যৰে মৃত্যু হ'ব। কোঁৱৰে এই কামটো কৰিব পাৰিব নে নোৱাৰে প্ৰমাণ চাবলৈ তেওঁ এটা কণীৰ খোলাতে ভাত আৰু আঞ্জা ৰান্ধি খাবলৈ দিলে কোঁৱৰে যেতিয়া এই পৰীক্ষাত উত্তীৰ্ণ হ'ল তেতিয়া ৰূপালীহঁতে তেওঁক দৈত্যকেইজনক বধ কৰাৰ অনুমতি দিয়ে। কোঁৱৰে তিনিওজন দৈত্যকে বধ কৰি ৰূপালী

সোণালী, হীৰা আৰু মুকুতাৰ লগতে ম'ৰা চৰাই দুটি আৰু বাঁহীটো লৈ কোঁৱৰে মৰ্ত্যলৈ উলটি যোৱাৰ পথত গৈ পালেগৈ কিন্তু তাত পোৱাৰ পিছত মনত পৰিল যে এচাৰিডাল আনিবলৈ বৈ গ'ল। কোঁৱৰে ৰূপালীহঁতক ক'লে যে তোমালোক ইয়াতে অলপ অপেক্ষা কৰিবা মই গৈ এচাৰিডাল লৈ আহো কিন্তু এই ৰচিডাল নুচুবা। কোঁৱৰে এচাৰিডাল আনিবলৈ গ'ল। সিহঁতে বাধা দিয়াৰ কাৰণটো নজনাৰ বাবে ৰচিডালত ধৰি জোকাৰি দিলে আৰু জোকাৰি দিয়াৰ লগে লগে মৰ্ত্যত থকা কোঁৱৰ তিনিজনে ৰচিডাল টানিবলৈ ধৰিলে। ৰচিডাল ওপৰলৈ যোৱা দেখি ৰূপালীয়ে থাপ মাৰি ৰচিডালত ধৰে আৰু ৰূপালীও ওপৰলৈ গৈ থকা দেখি সোণালীয়ে ৰূপালীৰ ভৰিত ধৰিলে আৰু সোণালীও ওপৰলৈ যাবলৈ ধৰিলে তাকে দেখি হীৰায়ে সোণালীৰ ভৰিত ধৰিলে আৰু যেতিয়া হীৰাও ওপৰলৈ যাবলৈ ধৰিলে মুকুতায়েও তেতিয়া হীৰাৰ ভৰিত ধৰিলে। এনেদৰেই এজনীয়ে আন এজনীৰ ভৰিত ধৰি তললৈ টানিবলৈ চেষ্টা কৰিছিল কিন্তু সফল হ'ব নোৱাৰিলে। চাৰিও গৈ মৰ্ত্যলোকত উপস্থিত হ'ল আৰু সিহঁতৰ লগত আহিল ম'ৰা চৰাই দুটি আৰু এটা বাঁহী। ডাঙৰ কোঁৱৰ আৰু মাজু কোঁৱৰে যেতিয়া গম পালে যে ডিমা কোঁৱৰ পাতাল পুৰীতেই ৰ'ল তেতিয়া সিহঁত দুয়োৱে অলপো পলম নকৰাকৈ নিমা কোঁৱৰ আৰু পক্ষীৰাজক সেইখিনি ঠাইতে তৰোৱালেৰে ডিঙি কাটি ৰূপালী, সোণালী, হীৰা, মুকুতা আৰু সিহঁত কেইজনীয়ে লগত লৈ অহা ম'ৰা চৰাই দুটি আৰু বাঁহীটো লৈ নিজ ৰাজ্যলৈ উভতিল। ইফালে ডিমা কোঁৱৰে এচাৰিডাল আনি দেখিলে যে সি ৰূপালীহঁতক যি ঠাইত এৰি থৈ গৈছিল সেই ঠাইত কোনোৱেই নাই আৰু সি যিডাল ৰচিৰে পাতাললৈ আহিছিল সেই ৰচীডালো নাই। এই সকলোবোৰ দেখি তেওঁ আৰু বুজিবলৈ বাকী নাথাকিল। তেওঁ মৰ্ত্যলৈ উলটি যোৱাৰ পথ বিচাৰি নাপায় শেষত ভগৱানক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। এনেদৰে প্ৰাৰ্থনা কৰি থাকোতেই হঠাতে এডাল বৃহৎ অজগৰে কোঁৱৰক মাত লগাই আৰু কয় যে তুমি মোৰ নেজত ধৰা মই তোমাক মৰ্ত্যলৈ লৈ যাম।

কোঁৱৰেও অজগৰৰ কথা শুনি নেজত ধৰি ল'লে আৰু মুহূৰ্ততে গৈ মৰ্ত্য পালেগৈ। মৰ্ত্যত পায়েই দেখিলে যে নিমা কোঁৱৰ আৰু পক্ষীৰাজ দুয়োকে হত্যা কৰি ডাঙৰ আৰু মাজু কোঁৱৰে ৰূপালীহঁতক লৈ গুচি গৈছে। এইবোৰ দেখি ডিমা কোঁৱৰে অজগৰক অনুৰোধ কৰি ক'লে যে তুমি মোক যেনেকৈ পাতালৰ পৰা উদ্ধাৰ কৰি আনিলা তেনেকৈ মোক মৃত্যু দিয়া। কাৰণ মই ৰাজ্যলৈ উলটি গৈ নিমা কোঁৱৰৰ মৃত্যুৰ বিষয়ে মাক কি বুলি কম। কোঁৱৰৰ কথা শুনি অজগৰে নিমা কোঁৱৰ আৰু পক্ষীৰাজক পুনৰ জীৱন দান দিলে। তাকে দেখি ডিমা কোঁৱৰে বুলি পালে যে সেইটো এটা সাধাৰণ অজগৰ নহয়। অজগৰৰ ৰূপত স্বয়ং ভগৱানে তেওঁক সহায় কৰিবলৈ আহিছে। ডিমা কোঁৱৰ আৰু নিমা কোঁৱৰক লৈ পক্ষীৰাজ নিজ ৰাজ্যত গৈ উপস্থিত হ'ল। উপস্থিত হৈ দেখিলে যে মহাৰাজে যজ্ঞ আৰম্ভ কৰিছে। মহাৰাজৰ আদেশ মতে ডাঙৰ কোঁৱৰে বাঁহীটো বজাই আৰু বাঁহীৰ সুৰ শুনাৰ লগে লগে ৰূপালীয়ে ৰূপৰ ভেঁটি, সোণালীয়ে সোণৰ গছ, হীৰাই হীৰাৰ পাত, মুকুতাই মুকুতা গুটিৰ ৰূপ লয় কিন্তু ম'ৰা চৰাই দুটিয়ে নচা নাই। সেই সময়তে ডিমা কোঁৱৰে মাত লগালে ম'ৰা চৰাই দুটিক নচুৱাৰ এচাৰিডাল মোৰ হাততহে আছে বুলি দুয়োটি চৰাইকে দণ্ডচাত দিয়াৰ লগে লগে ম'ৰা চৰাই দুটিয়ে চালি ধৰি নাচিবলৈ ধৰিলে। ডিমা কোঁৱৰ, নিমা কোঁৱৰ আৰু পক্ষীৰাজক দেখি ডাঙৰ আৰু মাজু কোঁৱৰ আচৰিত হ'ল। এই সকলোবোৰ দেখি শুনি মহাৰাজৰ ডাঙৰ আৰু মাজু কোঁৱৰৰ ওপৰত সন্দেহ উপজিল। পিছদিনা মহাৰাজে ৰাজসভাত তেওঁৰ সন্দেহৰ কথা প্ৰকাশ কৰে আৰু মহাৰাজৰ সন্দেহ সত্য বুলি ৰূপালীহঁতে সাক্ষী দিয়ে। মহাৰাজে আন দোষীক শাস্তি প্ৰদান কৰাৰ দৰে ডাঙৰ আৰু মাজু কোঁৱৰকো মৃত্যু দণ্ডৰে দণ্ডিত কৰে আৰু ডাঙৰ ৰাণী আৰু মাজু ৰাণীকো কাৰাবাস দিয়ে।

শেষত মহাৰাজে ডিমা কোঁৱৰক ৰাজ্যভাৰ অৰ্পণ কৰে। ৰূপালী আৰু সোণালীক ডিমা কোঁৱৰৰ লগত আৰু হীৰা আৰু মুকুতাক নিমা কোঁৱৰৰ লগত বিবাহ কাৰ্য সম্পন্ন কৰে। ■